www.newsnextone.com
e সংবাদ
SUNDAY, JANUARY 12, 2025 ■ দেওবাৰ, ২৭ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৮ Guwahati, Assam ।। মূল্যঃ এটকা

## অসম আহি পালে এইচএমপিভি

ই-সংবাদ, ১১ জানুৱাৰীঃ বাংগালুৰু, আহমেদাবাদ, তামিলনাডুৰ পাছতে অসমত ধৰা ২ পৃষ্ঠাত চাওক

## কনৌজত বৃহৎ অঘটন, আহত ২৩

লক্ষ্ণৌ, ১১ জানুৱাৰীঃ উত্তৰ প্ৰদেশৰ কন্নৌজত ভাঙি পৰিল ৰে'ল ষ্টেচনৰ এটা নিৰ্মাণৰত লিণ্টাৰ ৬ পৃষ্ঠাত

## ভিডিঅ' ভাইৰেল! নিলম্বিত দুই কনিষ্টবল

ই-সংবাদ বিশেষ, ১১ জানুৱাৰীঃ একাউণ্টাৰ কৰি বিখ্যাত হোৱা অসম আৰক্ষীৰ শেষাংশ ৫ পৃষ্ঠাত


বহু দূৰলৈ চোৱাৰ প্ৰয়াস, কাজিৰঙাত

## দিলৱাৰ-আজুলৰ ভৰিলৈ গুলী
# গুৱাহাটী-শ্ৰীভূমিত এনকাউণ্টাৰ

ই-সংবাদ, ১১ জানুৱাৰীঃ উচ্চতম ন্যায়ালয়ৰ উদ্বেগ প্ৰকাশ কৰাৰ পিছতো অসমত অব্যাহত আছে এনকাউণ্টাৰ সংস্কৃতি। ২৪ ঘণ্টাৰ ভিতৰত দুটাকৈ পৃথক এনকাউণ্টাৰৰ ঘটনা ৩ পৃষ্ঠাত

## ভোগালীৰ সেই দিনবোৰ

■ ড০ দয়ানন্দ শ্বাহ


ন-শৰ্কৰী

আকৌ মাঘ পালেহি। এইখিনি সময়ত আকাশ ঢেকীৰ শব্দৰে ৰজনজনাব লাগিছিল, জুহালৰ পৰা বৈ আহিব শেষাংশ ২ পৃষ্ঠাত

# অমিত শ্বাহে পদত্যাগ নকৰা পৰ্যন্ত চলি থাকিব কংগ্ৰেছ দলৰ প্ৰতিবাদ

গুৱাহাটী, ১১ জানুৱাৰীঃ দেশৰ সংবিধান সুৰক্ষা দিবৰ বাবে মাঘবিহুৰ পিছৰে পৰা সমগ্ৰ অসমত অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে 'জয় বাপু, ৩ পৃষ্ঠাত



## অভিযান অব্যাহত, এতিয়াও সন্ধান নাই ৫ জনৰ
# উমৰাংছুত আৰু তিনিটা মৃতদেহ উদ্ধাৰ
## খুচি, শৰৎ, লিজেন বুলি চিনাক্ত



ই-সংবাদ, গুৱাহাটী-ডিফু, ১১ জানুৱাৰী: উমৰাংছুৰ ভয়াবহ অবৈধ কয়লাখনিটোৰ পৰা আজি উদ্ধাৰকাৰী দলে তিনিটা মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ২ পৃষ্ঠাত চাওক

ভোগালীৰ ভোগ... ৰজাৰ সুখেই প্ৰজাৰ সুখ!


মুখ্যমন্ত্ৰীক উৰুকাৰ বাবে মাছ উপহাৰ মন্ত্ৰী অতুল বৰাৰ, শনিবাৰে

## মুখ্যমন্ত্ৰীৰ ঘৰত এই দুদিন মাছেই মাছ!

ই-সংবাদ, ১১ জানুৱাৰীঃ সন্মুখত মাঘৰ বিহু আৰু উৰুকা। ভোগালীৰ ভোজৰ বাবে মানুহে প্ৰস্তুতি চলাবলৈ ৫ পৃষ্ঠাত চাওক

## প্ৰধানমন্ত্ৰীলৈ গৌৰৱ গগৈৰ পত্ৰ

ই-সংবাদ, ১১ জানুৱাৰীঃ যোৰহাটৰ সাংসদ তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে শেষাংশ ৫ পৃষ্ঠাত

## সংবাদমেলত দাবী জগদীশৰ
## মূল খলনায়ক দেৱলাল, তুলিৰাম



ই-সংবাদ, ১১ জানুৱাৰীঃ ডিমা হাচাওত অবৈধ কয়লাৰ খনন আৰু শ্ৰমিক আৱদ্ধ হৈ থকাৰ ঘটনাক লৈ পুনৰ ৰাজ্য চৰকাৰক আক্ৰমণৰ লক্ষ্য ৪ পৃষ্ঠাত



## ইউটিউবাৰে বিচাৰিলে ক্ষমা

ই-সংবাদ, ১১ জানুৱাৰীঃ অসম তথা অসমৰ ৰীতি-নীতিক লৈ মন্তব্য কৰি ক্ষমা খুজিবলৈ বাধ্য হ'ল ফাইনেন্সিয়েল ৩ পৃষ্ঠাত

## ইচ্ছা কৰিয়েই পঞ্চায়ত নিৰ্বাচন পতা নাই মুখ্যমন্ত্ৰীয়ে



## ক'লে ভূপেন বৰাই

ই-সংবাদ, গুৱাহাটী-বিশ্বনাথ, ১১ জানুৱাৰীঃ মুখ্যমন্ত্ৰীয়ে ইচ্ছা কৰিয়েই পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপন ৭ পৃষ্ঠাত

## 'চিএম হ'লেই ডাঙৰ নহয়! ক'টৈ দেখুৱাই দিলে'
### পঞ্চায়তক লৈ হাফিজ ৰছিদ চৌধুৰী

ই-সংবাদ, ১১ জানুৱাৰীঃ মুখ্যমন্ত্ৰীয়ে হোমৱৰ্ক নকৰাকৈ কথাবোৰ কয়। তেওঁ এজন দায়িত্বশীল মুখ্যমন্ত্ৰী। কিন্তু তেওঁ সকলোতে নিজকে মুখ্য বুলি ভাবে। শেষাংশ ৫ পৃষ্ঠাত

## সৰ্বত্ৰে শোক, ৰাজ্যিক মৰ্য্যাদাৰে শেষকৃত্য
# ১০৪ বছৰত মুক্তিযোদ্ধা সত্যলতা গগৈৰ দেহাৱসান

ই-সংবাদ, ডুমডুমা, ১১ জানুৱাৰীঃ বিশিষ্ট মুক্তিযোদ্ধা সত্যলতা গগৈ আৰু নাই। আজি পুৱা ৮-৩০ বজাত ডুমডুমা সমজিলাৰ অন্তৰ্গত বৃহত্তৰ ফিলবাৰী অঞ্চলৰ শেষাংশ ৮ পৃষ্ঠাত



## ডিচি বৰ্ণালীৰ বিৰুদ্ধে গোচৰ লুইত বৰ্মনৰ

ই-সংবাদ, ১১ জানুৱাৰীঃ নলবাৰী জিলা আয়ুক্ত বৰ্ণালী ডেকাৰ বিৰুদ্ধে আজি এজাহাৰ দাখিল কৰিছে ব্যৱসায়ী লুইত কুমাৰ বৰ্মনে। নলবাৰী ৪ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভোগালীৰ সেই দিনবোৰ

লাগিছিল তিল দিয়া পিঠাৰ সুগোন্ধ। সন্ধিয়াৰ লগে লগে পথাৰবোৰত উজান উঠিব লাগিছিল ডেকা-চেঙেলিয়াৰ কিৰিলিৰ। আকাশ চুম বুলি মূৰ পোনাই থিয় হোৱা মেজিবোৰৰ গাত লাগি থাকিব লাগিছিল অসমীয়াৰ স্বাভিমান...।

কিন্তু নাই, এতিয়া চোন তেনে কোনো অনুভৱ নহয়। ঋতু সলাই মাঘ পালেহি, কিন্তু ভোগালীৰ উছাহখিনি যেন বাট হেৰুৱাই ক'ৰবাত ৰৈ গ'ল। দুদিনমান আগতে গাঁওলৈ যাওতে আলি কাষৰ উকা পথাৰবোৰ দেখি গা জিকাৰ খাই উঠিছিল। ইমান উকা! মেজিবোৰ ক'ত গ'ল? গাঁওবোৰৰ ডেকাবোৰ?

মোৰ বুকুত খুন্দা মাৰি পাৰ হৈ যোৱা পথাৰবোৰলৈ চাই চাই অনুভৱ হৈছিল- সেই আগৰ দিনবোৰ আকৌ ওভতাই আনিব পৰা হ'লে কিবা উপায়েৰে। এনে কি বাৰু কৰিব পাৰি, যাৰ দ্বাৰা আমাৰ চেনেহৰ ভোগালীটো আকৌ এবাৰ জীপাল হৈ উঠিব পাৰে!

তাহানিৰ ভোগালী মানেই এক বেলেগ অনুভূতি আছিল। বোৱাৰী-যুৱতীৰ উথপথপ ব্যস্ততা আৰম্ভ হৈছিল পুহৰ কেঁচা দুপৰীয়াবোৰৰ পৰাই। ভঁৰালৰ ধান ৰ'দত শুকুৱাই ঢেকীত চেও দিয়া, জুহালত কথাৰ এৰি পাৰি মহিলা-যুৱতীসকলে বিলাই দিয়া তাপ দিয়া পিঠাৰ গোন্ধেই গাঁওবোৰলৈ বিহু নমাইছিল।

গাঁওবোৰত আজিকালি এই অনুভৱ নাই। মিলত খুন্দি অনা পিঠাগুড়িৰেই ঘৰবোৰে আজিকালি সংগোপনে বিহু নমায়। তাতে বজাৰত পিঠা-পনাৰ জানো কিবা অভাৱ আছে?

'সন্ধিয়া সোনকালে ওলাবি, নৰা কাটিবলৈ যাম' বুলি কোন ডেকাই সমনীয়াক আজিকালি ৰিঙিয়াই কয়? তাহানি গাঁওবোৰ ৰজনজনাইছিল এই মাতেৰেই। মেজি বনাবলৈ নৰা কটা, বাঁহ কটা আদি কামবোৰত এমাহ আগৰে পৰাই ব্যস্ততা বাঢ়িছিল ডেকা-চেঙেলিয়া চামৰ। গগনচুম্বী মেজিটোক অসমীয়াৰ স্বাভিমানেৰে সজাই পৰাই তুলিছিল সকলোৱে। ভেলাঘৰত আৰম্ভ হৈছিল উৰুকা নিশাৰ ব্যস্ততা। কিন্তু আজিকালি প্ৰায়বোৰ গাঁওৰেই নিজম পৰিছে।

সিদিনা দেখিলো চহৰত মেজি বিক্ৰী হৈ আছে। ৫০০, ১০০০, ৩০০০ দাম। যিমানেই ওখ, সিমানেই বেছি দাম। দুহাতেৰে ধৰি দাঙি লৈ যাব পৰা মেজিবোৰৰ কাষে কাষে থিয় হৈ আছে কেইবাজনো অসমীয়া।

বিক্ৰেতাৰ সৈতে তেওঁলোকৰ দৰ-দাম চলিছে, তাৰ পিছত চাৰিচকীয়াৰ ওপৰত চৰীৰে বান্ধি 'হাইব্ৰিড' মেজিবোৰ লৈ ঘৰমুৱা হৈছে। ল'ৰা-ছোৱালীৰ সৈতে মাঘৰ পুৱা তেওঁলোকেও মেজিৰ উম ল'ব।

চহৰত যেনিবা মেজি বনাবলৈ ঠাইৰ অভাৱ, নাই নৰা-বাঁহ আদিও। কিন্তু গাঁওতচোন একোৰে অভাৱ নাই, তথাপিও পথাৰবোৰ বৰ উকা উকা লাগে। বিহুটিক আদৰো বুলি মানুহবোৰৰ আগ্ৰহৰ অভাৱ নে সঁচাকৈয়ে জীৱন ইমান ব্যস্ত হৈ পৰিছে, সেয়া কেতিয়াবা ভাৱি আচৰিত লাগে। অৱশ্যে মানুহবোৰ ব্যস্ত নহ'বনো কিয়? ভোগালীক ভোগ কৰিবলৈ জেপতো থাকিব লাগিব ধন। বজাৰৰ যিহে জুই চাই দাম, এদিন কাম নকৰিলে খাবলৈ নোপোৱা অৱস্থা সাধাৰণ জনতাৰ। সেয়ে দুমুঠি গোটাবলৈকে মানুহবোৰৰ ব্যস্ততা বাঢ়িছে। আগতে গাঁৱৰ ঘৰে ঘৰে অভাৱ নাছিল জহা চাউল, নাৰিকল, তিল আদি ভোগালীক আদৰিবলৈ প্ৰয়োজনীয় সম্পদৰ। আজিকালি সকলোৰে ভৰষা কেৱল বজাৰ। হাতত ধন নাই, সেয়ে মনতো ভোগালী নাই!

তথাপিও ঠায়ে ঠায়ে এতিয়াও জীয়াই আছে হেঁপাহৰ ভোগালী। ঠায়ে ঠায়ে এতিয়াও বাঢ়িছে মাঘৰ ব্যস্ততা। একাংশ ডেকা-ডেকেৰীয়ে এতিয়াও অব্যাহত ৰাখিছে পৰম্পৰাক ধৰি ৰখাৰ প্ৰচেষ্টা। কিন্তু সেয়া আগৰ দিনবোৰৰ দৰে নহয়। আগতে যিদৰে গাঁৱে গাঁৱে বিহু নামিছিল, আজিকালি সামূহিকভাৱে কোনো বিশেষ দল-সংগঠনৰ নেতৃত্বত বিহু নামে।

বিহুলৈ মাজত আৰু মাত্ৰ এটা দিন। এতিয়া আৰু ৰৈ থকাৰ সময় নাই। বিভিন্ন আৰ্হিৰে সাজি উলিওৱা মেজিবোৰ সম্পূৰ্ণ হৈছে। উৰুকাৰ নিশাটো ভেলাঘৰত সকলোৱে মিলি এসাজ খোৱাৰ প্ৰস্তুতি চলিছে। এইবোৰ দেখি এধানিমানকৈ হ'লেও মনত অনুভৱ জাগিছে- হয়, ভোগালী আকৌ আহিছে।

অসমীয়াৰ বাপতিসাহোন এই ভোগালীয়ে অসমীয়াৰ জীৱনলৈ বৈ আনক সুখৰ চাকনৈয়া। মেজিৰ জুইত জ্বলি শেষ হওক সকলো অমংগল-অসূয়া। সমাজৰ পৰা দূৰ হওক সকলো অপৰাধ, নঘটক কোনো হত্যা, ধৰ্ষণ, লুণ্ঠনৰ ঘটনা। বিহুৰ এই ক্ষণত সমগ্ৰ অসমবাসীলৈ ময়ো জনাইছো ভোগালীৰ অজস্ৰ শুভকামনা-শাকে-পাতে, মাছে-ভাতে উভৈনদী হৈ পৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উমৰাংছুত আৰু তিনিটা মৃতদেহ উদ্ধাৰ

অভিযানৰ আজি ষষ্ঠ দিনটোত প্ৰথমে পানী ওপঙি থকা অৱস্থাত এটা মৃতদেহ উদ্ধাৰ হয়। তাৰ পিছতে এটাৰ পিছত আন এটা মৃতদেহ উদ্ধাৰ কৰি আনিবলৈ সক্ষম হৈছে। আজি তিনিটা আৰু পূৰ্বে এটা মৃতদেহসহ মুঠ এতিয়ালৈ চাৰিটা মৃতদেহ উদ্ধাৰ হৈছে। কয়লাখনিটোৰ ১০০ ফুট পানীত আৱদ্ধ হৈ পৰা ৯গৰাকী শ্ৰমিকৰ মাজৰ পৰা চাৰিটা মৃতদেহ উদ্ধাৰ হৈছে। বিগত ছয়টা দিনে সেনা, নৌ সেনা, এনডিআৰএফ আৰু এছডিআৰএফে যৌথ উদ্ধাৰ অভিযান চলাই গৈছে। প্ৰথমটো নেপালৰ গংগা বাহাদুৰ শ্ৰেষ্ঠৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। আজি পুৱা কয়লা খনিটোৰ পৰা উমৰাংছুৰ স্থানীয় শ্ৰমিক লিজেন মগৰৰ মৃতদেহ উদ্ধাৰ হয়। পিছতেই কোকৰাঝাৰৰ ফকিৰাগ্ৰাম নিবাসী খুচি মোহন ৰায় (৫৭), শোণিতপুৰ জিলাৰ থাইলাপাৰা বটাশিপুৰৰ শৰৎ গয়াৰীৰ মৃতদেহ উদ্ধাৰ কৰে উদ্ধাৰকাৰী দলটোৱে। খনিটোৰ পৰা পাঁচটা পাম্পৰে অহৰহ পানী সিঁচি থকা হৈছে। খনিটোত পানীৰ পৰিমাণ সন্তোষজনকভাৱে হ্ৰাস পাইছে। যান ফলত উদ্ধাৰকাৰী বাহিনীয়ে আণ্ডাৰ ৱাটাৰ ৰিমট অপাৰেটিং বেহিকল খনিটোত নমাবলৈ সক্ষম হৈছে। নাগপুৰৰ পৰা অনা অত্যাধুনিক পানী নিষ্কাশণৰ মেচিনটো আজিৰে পৰা কাৰ্যক্ষম হৈ পৰাত কাইলৈ খনিটোত পানীৰ পৰিমাণ হ্ৰাস হ'ব বুলি আশা কৰা হৈছে। আজি আৰক্ষী শীৰ্ষ বিষয়া হৰমিত সিং আৰু জিলা আযুক্ত গৰাকীয়ে সমগ্ৰ উদ্ধাৰ কাৰ্য তদাৰক কৰে। চৰকাৰী তথ্য মতে, খনিটোত এতিয়াও ১২ মিটাৰ পানী মজুত আছে। উদ্ধাৰ অভিযানত আন এক সমস্যাই দেখা দিছে। খনিটোত এতিয়ালৈ উদ্ধাৰ হোৱা শ্ৰমিকসকলৰ মৃতদেহ উৰলি গৈছে। ফলত মৃতদেহ চিনাক্ত কৰাত সমস্যাত পৰিছিল প্ৰশাসন। ইপিনে উদ্ধাৰকৃত মৃতদেহ উৰলি যোৱাত সমগ্ৰ খনিটোৰ পৰা দুৰ্গন্ধি বিয়পি পৰিছে। সন্দেহ কৰা মতে, বৰ্তমান খনিটোত ৫ জন শ্ৰমিক আৱদ্ধ হৈ আছে আৰু জীৱিত থকাৰ আশা ক্ষীণ বুলি সন্দেহ কৰিছে উদ্ধাৰকাৰী দলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসম আহি পালে এইচএমপিভি

পৰিছে প্ৰথমটো এইচএমপিভি সংক্ৰমিত ৰোগী। ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত ১০ মহীয়া কেঁচুৱাৰ দেহত ধৰা পৰিছে এইচএমপিভি ভাইৰাছ। লখিমপুৰৰ এটি ১০ মহীয়া শিশুৰ শৰীৰত ধৰা এই ভাইৰাছ ধৰা পৰা বুলি প্ৰকাশ কৰিছে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই। অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাই কয় যে অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে কেঁচুৱাটো। পৰীক্ষা কৰাত ভাইৰাছ ধৰা পৰিছে। ৮ জানুৱাৰীত শিশু জ্বৰ আৰু পানী লগা হোৱাত পৰিয়ালে ভৰ্তি কৰাইছিল। শৰীৰত এইচএমপিভিৰ কিছু লক্ষণ আছে যদিও চিন্তাৰ কোনো কাৰণ নাই বুলি জানিবলৈ দিছে অসম চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইউটিউবাৰে বিচাৰিলে ক্ষমা

ইনফ্লুৱেঞ্চাৰ অভিষেক কৰে। অসমৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে তেওঁৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ সকিয়নী প্ৰদান কৰাৰ পিছতে ভিডিঅ'যোগে হাতযোৰ কৰি ক্ষমা বিচাৰে ছ'চিয়েল মিডিয়া ইনফ্লুৱেঞ্চাৰজনে। উল্লেখ্য যে, শেহতীয়াকৈ এটা প'ডকাষ্টত অভিষেক কৰে অসমৰ মায়ং অঞ্চলৰ ৰীতি-নীতিক লৈ বিতৰ্কিত মন্তব্য কৰিছিল। মায়ং অঞ্চলৰ তান্ত্ৰিক পৰম্পৰাৰ কথা ক'বলৈ গৈ অভিষেক কৰে কৈছিল যে মায়ং অঞ্চলৰ একাংশ মহিলাই অলৌকিক শক্তিৰ জৰিয়তে মানুহক ছাগলীলৈ ৰূপান্তৰিত কৰি পুনৰ মানুহলৈ ৰূপান্তৰিত কৰিব পাৰে। ছ'চিয়েল মিডিয়া ইনফ্লুৱেঞ্চাৰজনৰ এই মন্তব্যক লৈ তীব্ৰ বিতৰ্কৰ সৃষ্টি হোৱাৰ সময়তে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে এক টুইটযোগে অভিষেক কৰৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ সকিয়নী প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে অভিষেকৰ এখন ফটো শ্বেয়াৰ কৰি এক্সত লিখে, "ৰিয়া উপ্ৰেতি নামৰ ইউটিউব চেনেল এটাৰ ভিডিঅ'ত অভিষেক কৰ নামৰ এজন ব্যক্তিয়ে অসমৰ ইতিহাস আৰু ঐতিহ্যক লৈ অগ্ৰহণযোগ্য মন্তব্য কৰিছে। ভুল তথ্য বিয়পোৱাৰ বাবে তেওঁৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা লোৱা হ'ব পাৰে।" এই টুইটৰ উত্তৰত আৰক্ষী সঞ্চালকপ্ৰধান জিপি সিঙেও বিষয়টো গুৰুত্বসহকাৰে লৈ আইনী ব্যৱস্থা লোৱা হ'ব বুলি জনায়। ইফালে চিএমঅ'ৰ এই টুইটৰ কিছু ঘণ্টা পিছতে এটা ভিডিঅ'যোগে ক্ষমা বিচাৰে অভিষেক কৰে। তেওঁ কয় যে মানুহৰ অনুভূতিত আঘাত হনা সেই বিশেষ ক্লিপটো তেওঁ প'ডকাষ্টৰ পৰা আঁতৰাই দিবলৈ অনুৰোধ জনাইছিল। ভিডিঅ'টোত অভিষেক কৰে কৰযোৰে কয়, "শেহতীয়া প'ডকাষ্টটোৰ বাবে ক্ষমা বিচাৰিছো, যিয়ে মানুহৰ আৱেগত আঘাত হানিছে। মই ইচ্ছাকৃতভাৱে একো কৰা নাছিলো বা বিশৃংখলতা সৃষ্টি কৰিব বিচৰা নাছিলো। কিন্তু যি হ'ল তাৰ বাবে মই দুখী।" তেওঁ কয় যে ভৱিষ্যতে যিকোনো তথ্যৰ উৎসৰ ওপৰত নিৰ্ভৰ কৰাৰ সময়ত তেওঁ অধিক সাৱধান হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটী-শ্ৰীভূমিত এনকাউণ্টাৰ

সংঘটিত কৰিছে অসম আৰক্ষীয়ে। গুৱাহাটী মহানগৰী আৰু বৰাক উপত্যকাৰ শ্ৰীভূমিত জিলাত এনকাউণ্টাৰ সংঘটিত কৰিছে অসম আৰক্ষীয়ে। গুৱাহাটীত আজুল হকক আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ প্ৰয়াস কৰাৰ অভিযোগত ভড়াগড়ত এনকাউণ্টাৰ কৰে। শুকুৰবাৰে সন্ধিয়া ভেটাপাৰাত এগৰাকী বিবাহিতা মহিলাক ছুৰীকাঘাত কৰিছিল আজুল হকে। আজুল হকক ধৰি ৰাইজে হাতীগাঁও আৰক্ষীক গতাই দিছিল। ৰাইজৰ প্ৰহাৰত আঘাতপ্ৰাপ্ত হৈছিল আজুল। চিকিৎসাৰ পিছত আৰক্ষীয়ে হাতীগাঁও আৰক্ষী থানা অভিমুখে আনি থকাৰ সময়তে আজুলে আৰক্ষীক বাহনখন ৰখাবলৈ কয়। তাৰ পিছত এজন আৰক্ষী কনিষ্টবলক গটিয়াই পলাবলৈ চেষ্টা কৰিছিল। আৰক্ষীয়ে ৰখিবলৈ সতৰ্ক কৰা স্বত্বেও পলায়ন কৰিবলৈ প্ৰয়াস কৰাত আৰক্ষীয়ে গুলীচালনা কৰে। যাৰ ফলত গুলী লাগি আঘাতপ্ৰাপ্ত হয়। গুৱাহাটী পূবৰ আৰক্ষী আয়ুক্ত মৃণাল ডেকাই কয় যে অভিযুক্তজনে গাড়ীৰ পৰা পলাই যাবলৈ চেষ্টা কৰাৰ সময়ত ভড়াগড় পাহাৰত গুলীচালনাৰ সংঘটিত হয়। তিনি ৰাউণ্ড গুলী চালনা কৰাত সোঁ ভৰিত গুলী লাগিছে। লগে লগে গুলী লাগি ঢলি পৰা আজুলক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হয়। ইপিনে শ্ৰীভূমিত ৰেল ষ্টেচনত বাংলাদেশী নাগৰিক হোৱাৰ সন্দেহত গ্ৰেপ্তাৰ কৰা দিলৱাৰ হুছেইনক এনকাউণ্টাৰ কৰা হয়। ভাৰতত অবৈধভাৱে প্ৰৱেশ কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা সন্দেহজনক দিলৱাৰ হুছেইনে পলায়নৰ প্ৰয়াস কৰাত আৰক্ষীয়ে গুলীচালনা কৰাত গুলী লাগে আঘাতপ্ৰাপ্ত হয়। জানিব পৰা মতে, দিলৱাৰ হুছেইনে সীমান্তৱৰ্তী জিলাখনত ৭০ জনৰো অধিক বাংলাদেশীক প্ৰৱেশৰ সুবিধা প্ৰদান কৰাৰ কথা স্বীকাৰ কৰিছে। জিলাখনৰ আৰক্ষী অধীক্ষক পিপি দাসে কয় যে জেৰাৰ সময়ত তেওঁৰ ফোনত বাংলাদেশৰ সৈতে সম্পৰ্ক ৰক্ষা কৰাৰ তথ্য লাভ কৰিছো। দালাল হিচাপে কাম কৰাৰ কথা স্বীকাৰ কৰি অবৈধ প্ৰৱেশত সহায় কৰিছিল। সোধা-পোছা কৰাৰ সময়ত পলায়নৰ চেষ্টা কৰোতেই আৰক্ষীয়ে ভৰিত গুলী কৰে। বৰ্তমান শিলচৰ চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অমিত শ্বাহে পদত্যাগ নকৰা পৰ্যন্ত চলি

জয় ভীম, জয় সংবিধান' শ্লোগানেৰে জন সচেতনাত বৃদ্ধি কৰিব। ইতিমধ্যে ৩ জানুৱাৰীৰ পৰা ২০২৫ৰ ২৬ জানুৱাৰীলৈ এই অভিযান আৰম্ভ হৈছে আৰু পৰৱৰ্তী সময়ত ২০২৬ চনৰ ২৬ জানুৱাৰীলৈ সংবিধান সুৰক্ষা সংকল্প যাত্ৰা অব্যাহত থাকিব। নিখিল ভাৰত কংগ্ৰেছৰ অসমৰ দায়িত্বত থকা সম্পাদক মনোজ চৌহানে আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত অনুষ্ঠিত এক সংবাদমেলত এইদৰে কয়। কংগ্ৰেছ নেতাজনে কয় যে বিজেপিয়ে সংবিধান সলনি কৰিবৰ বাবে বিগত লোকসভা নিৰ্বাচনত সাংসদৰ সংখ্যা ৪০০লৈ বৃদ্ধি কৰাৰ বাবে পৰিকল্পনা কৰিছিল। বিজেপিয়ে চন্দ্ৰবাবু নাইডু আৰু নীতিশ কুমাৰৰ সহযোগ অবিহনে চৰকাৰ গঠন কৰা হ'লেই দেশৰ সংবিধান সলনি কৰিলেহেতেন আৰু ৰাইজে বিজেপিৰ ষড়যন্ত্ৰ প্ৰত্যাখান কৰাৰ পিছত সদনত সংবিধান প্ৰণেতা বি. আৰ. আম্বেদকাৰক অতি নিৰ্মমভাৱে অপমান কৰিলে গৃহমন্ত্ৰী অমিত শ্বাহে। গৃহমন্ত্ৰী পদৰ পৰা অমিত শ্বাহে পদত্যাগ নকৰা পৰ্যন্ত কংগ্ৰেছ ক্ষান্ত নহয় আৰু কংগ্ৰেছে আম্বেদকাৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি গৃহমন্ত্ৰী পদৰ পৰা অমিত শ্বাহক পদত্যাগ কৰিবলৈ বাধ্য কৰিব। কংগ্ৰেছ নেতাজনে লগতে কয় যে সদনত বাবা চাহেব আম্বেদকাৰৰ নাম লোৱাতো নেতিবাচক ইংগিত দি অমিত শ্বাহে দেশৰ অকল দলিত সম্প্ৰদায়কে নহয়, গণতন্ত্ৰক ভেঙুচালি কৰিছে। সমগ্ৰ দেশত ইয়াৰ প্ৰতিবাদ অমিত শ্বাহৰ পদত্যাগ নোহোৱা পৰ্যন্ত অব্যাহত থাকিব। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত চৌহানে কয় যে ভাৰতীয় জনতা পাৰ্টীৰ পৰা, আৰএছএছৰ পৰা, নৰেন্দ্ৰ মোদীৰ পৰা, অমিত শ্বাহৰ পৰা আৰু হিমন্ত বিশ্ব শৰ্মাৰ পৰা সংবিধান বচাবৰ বাবে দেশৰ প্ৰান্তে প্ৰান্তে কংগ্ৰেছে সজাগতা আৰম্ভ কৰিব। কংগ্ৰেছ নেতা মনোজ চৌহানৰ সংবাদমেলৰ পূৰ্বে আজি সাংবাদিকসকলক প্ৰদেশ কংগ্ৰেছৰ তৰফৰ পৰা এখন বিহুৱানেৰে ভোগালী বিহুৰ শুভেচ্ছা জ্ঞাপন কৰা হয়। প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আদালতৰ ৰায়দানলৈ অপেক্ষা নকৰি পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত অনিশ্চয়তা প্ৰকাশ কৰি দেশৰ গণতন্ত্ৰৰ প্ৰতি ভেঙুচালি কৰিছে। বিজেপিয়ে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ নিবিচাৰে বাবে পঞ্চায়ত নিৰ্বাচন সময়মতে অনুষ্ঠিত নকৰিলে বুলি উল্লেখ কৰি বৰাই কয় যে আদালতৰ ৰায়দানৰ পিছত পৰীক্ষাৰ সময়সূচী পৰ্যালোচনা কৰি ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাতো কংগ্ৰেছে বিচাৰে। কয়লা ছিণ্ডিকেটৰ নায়কৰ সন্ধান আৰম্ভ কৰাৰ লগে লগে ছিণ্ডিকেটৰ আঁৰত জড়িত লোকসকলে ভৰিৰ তলৰ মাটি হেৰুওৱাৰ ভয়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব খোজা নাই বুলি বৰাই অভিযোগ কৰে। আজি অনুষ্ঠিত প্ৰদেশ কংগ্ৰেছৰ এই সংবাদমেলত জ্যেষ্ঠ কংগ্ৰেছ নেতা মেহদী আলম বৰা, সাধাৰণ সম্পাদক ৰামান্না বৰুৱা, বিপুল গগৈ আৰু অৰুণ তিৱাৰীও উপস্থিত থাকে।

# গণৰাজ্য দিৱসক লৈ বৰপেটা জিলা প্ৰশাসনৰ প্ৰস্তুতি বৈঠক

**ই-সংবাদ, বৰপেটাৰোড, ১১ জানুৱাৰীঃ** অহা ২৬ জানুৱাৰীত আগন্তুক গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি চূড়ান্ত কৰিবলৈ শুকুৰবাৰে বৰপেটা জিলা প্ৰশাসনৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত সভাপতিত্ব কৰে অতিৰিক্ত জিলা আয়ুক্ত জয়ন্ত বৰা আৰু কৌস্তুৰ কলিতাই। বৈঠকত চক্ৰ বিষয়া, সহকাৰী আয়ুক্ত আৰু বিভিন্ন বিভাগৰ মুৰব্বীসকল উপস্থিত থাকে। বৈঠকৰ সময়ত প্ৰতিটো বিভাগক কাৰ্যসূচীসমূহ সুশৃংখলিতভাৱে ৰূপায়ণ কৰাৰ বাবে দায়িত্ব অৰ্পণ কৰা হয়। লগতে সকলো বিষয়াক নিজ নিজ দায়িত্ব সুচাৰুৰূপে কৰিবলৈ আহ্বান জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিচি বৰ্ণালীৰ বিৰুদ্ধে গোচৰ লুইত

সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। বৰ্ণালী ডেকাই ভুৱা গোচৰ তৰি বৰ্মনক হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন কৰি এজাহাৰ দাখিল কৰিছে। আজি সদৰ আৰক্ষী থানাত উপস্থিত হৈ এজাহাৰ দাখিল কৰিছে যদিও এই পৰ্যন্ত এজাহাৰৰ ভিত্তিত গোচৰ পঞ্জীয়ন হৈছে নে নাই সেই কথা জানিব পৰা হোৱা নাই। লুইত কুমাৰ বৰ্মনে কয় যে মোৰ বিৰুদ্ধে নলবাৰী জিলাৰ জিলা আয়ুক্তই নিৰ্বাচনৰ দায়িত্বত থকাৰ সময়ত মই মানুহ পঠিয়াই ধন দাবী কৰিছিলো বুলি অভিযোগ আনিছিল। গোচৰত মোৰ সাক্ষ্য লোৱা হৈছিল। গোচৰক লৈ চাৰ্জশ্বিট দাখিল কৰা হৈছে। চাৰ্জশ্বিট ধন দাবীৰ কোনো সাক্ষী, প্ৰমাণ পোৱা নগ'ল বুলি কোৱা হৈছে। যাৰ বাবে ভুৱা গোচৰ তৰি হাৰাশাস্তি কৰাৰ অভিযোগ আনি বৰ্মনে কয় যে ন্যায় সংহিতাত উল্লেখ আছে যে কোনোবাই যদি কাৰোবাৰ বিৰুদ্ধে ভুৱা গোচৰ তৰে তেন্তে ২৪৮ ধাৰা মতে ওলোটাই সেইগৰাকী লোকৰ বিৰুদ্ধে গোচৰ দিব পাৰি। ভুৱা গোচৰ তৰা লোকজনৰ ৫ বছৰ জেইল বা দুইলাখ জৰিমনা বা দুইটাই শাস্তি হ'ব পাৰে। আজি নলবাৰী সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰি বৰ্মনে কয় যে এজাহৰ মতে, গোচৰ পঞ্জীয়ন কৰে নাই সেয়া চাই লও। অন্যথাই চিজেএম আদালতলৈ যাম। আইএএছ বৰ্ণালী ডেকাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি অহা লুইত কুমৰ বৰ্মনৰ বিৰুদ্ধে ২০২৪ বৰ্ষত অনুষ্ঠিত লোকসভা নিৰ্বাচনৰ দিনটোতে ১০ লাখ টকা দাবী কৰাৰ অভিযোগ আনি নলবাৰী আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল বৰ্ণালী ডেকাই। লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনটোত নলবাৰীৰ গৰ্ডন স্কুলস্থিত ষ্ট্ৰং ৰুমত জিলা আয়ুক্তক লুইত কুমাৰ বৰ্মনৰ মানুহ বুলি পৰিচয় দি কোনো লোকে ১০ লাখ টকা দাবী কৰাৰ অভিযোগ উত্থাপন কৰি এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে লুইত কুমাৰ বৰ্মনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছিল। লুইত কুমাৰ বৰ্মনে তেতিয়াই কৈছিল যে বহু তলতীয়া কৰ্মচাৰীক ডিচি বৰ্ণালী ডেকাক হাৰাশাস্তিৰ সন্মুখীন হৈছিল। নলবাৰীৰ কেইবাগৰাকীও লোকে তেওঁক সেই কথা অৱগত কৰিছিল। লগতে ডিচি বৰ্ণালী ডেকাক যিহেতু নলবাৰী গৃহ জিলা সেইবাবে নিৰ্বাচনী গাইড লাইন মতে গৃহ জিলাত থাকিব নোৱাৰে। সেইকাৰণে মই নলবাৰী জিলাৰ পৰা ডিচিগৰাকীক বদলিৰ দাবী উত্থাপন কৰিছিলো। এনে অভিযোগৰ মাজতে মোৰ হৈ কোনো লোকে ১০ লাখ টকা দাবী কৰা বুলি অভিযোগ আনি গোচৰ তৰা হৈছে। মই খোদ থানাত হাজিৰ হৈছিলো। ইপিনে বৰ্মনে সেই সময়ত গুৰুতৰ অভিযোগ উত্থাপন কৰি কৈছিল যে ডিচিগৰাকীৰ ঘৰ নলবাৰী জিলাত। তেওঁৰ নিৰ্বাচনৰ অধিসূচনাৰ পিছত জিলাখনত থাকিব নোৱাৰে। কিন্তু ডিচিগৰাকীয়ে নিশাৰ ভিতৰত নলবাৰী জিলাৰ ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰি কামৰূপ মহানগৰ জিলাত অন্তৰ্ভুক্ত কৰি ভোটাৰ তালিকাত স্থান সলনি কৰি জিলাখনত ডিচি হৈ আছিল। বৰ্ণালী ডেকাই আইন মহাবিদ্যালয়ৰ নীতি-নিয়ম নামানি এলএলবি ডিগ্ৰী লোৱা, তলতীয়া কৰ্মচাৰীক ৰুঢ় ব্যৱহাৰ, নিশাৰ ভিতৰতে ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰা আদি অভিযোগ আনিছিল বৰ্মনে। নলবাৰীৰ জিলা আয়ুক্তই সাধাৰণ নিৰ্বাচনৰ আগতে বদলিৰ ভয়ত ৰাতাৰাতি নিজৰ আৰু মাকৰ নাম গুৱাহাটীৰ ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰিছিল। জিলা আয়ুক্ত বৰ্ণালী ডেকাৰ বিৰুদ্ধে গোলঘাট, গোৱালপাৰা, কোকৰাঝাৰত তলতীয়া কৰ্মচাৰীক শাৰীৰিক আৰু মানসিকভাৱে অত্যাচাৰ কৰাৰো অভিযোগ আছে। ৰজত কমল বঁটা প্ৰাপ্ত ছবি নিৰ্মাতা, ব্যৱসায়ী লুইত কুমাৰ বৰ্মন আৰু নলবাৰীৰ জিলা আয়ুক্ত বৰ্ণালী ডেকাৰ সংঘাত দীৰ্ঘদিনীয়া। ইতিমধ্যে আইএএছ বৰ্ণালী ডেকাই বৰ্মনৰ বিৰুদ্ধে ২০ কোটি টকাৰ মানহানি গোচৰ তৰিছে। গুৱাহাটীস্থিত কামৰূপৰ মহানগৰৰ দেৱানী আদালতে লুইত কুমাৰ বৰ্মনক জাননী জাৰি কৰি বৰ্ণালী ডেকাৰ বিৰুদ্ধে অনা অভিযোগসমূহ সন্দৰ্ভত হাজিৰ হৈ লিখিত উত্তৰ দিবলৈ কৈছিল। বৰ্ণালী ডেকাৰ মানহানি গোচৰ তৰাত মই যথেষ্ট উৎসাহী আৰু আনন্দিত বুলি কৈ বৰ্মনে কৈছিল যে মই এই সুযোগ বিচাৰি আছিলো। ভগৱানে মোক সুযোগ দি দিলে। মই সত্যৰ বাবে আৰু সমাজত এক বাৰ্তা দিবলৈ এই যুঁজ চলাইছো। মোৰ হাতত সকলো নথি আছে। আগতে মই বিভিন্ন ঠাইত অভিযোগ দিছো। কিন্তু এনেদৰে মোৰ হাতত থকা সত্য আৰু শুদ্ধ নথি দিবলৈ উপযুক্ত ঠাইডোখৰ পোৱা নাছিলো। এতিয়া মই পোনোপোনে আদালতক এগৰাকী আইএএছৰ বিৰুদ্ধে নথি দাখিল কৰিবলৈ সুযোগ পাইছো যাৰ বাবে সুখী আৰু আনন্দিত। উল্লেখ্য যে, সমগ্ৰ বিষয়টোৱে ছ'চিয়েল মিডিয়াতো ব্যাপক চৰ্চা লাভ কৰা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মূল খলনায়ক দেৱলাল, তুলিৰাম

কৰি লৈছে ৰাজ্যৰ বিৰোধী দল অসম জাতীয় পৰিষদে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মুখ্যমন্ত্ৰীৰ দুই ঘনিষ্ঠ দেৱলাল গাৰ্লোছা, তুলিৰাম ৰংহাঙক দুই পাহাৰীয়া জিলাত অবৈধ কয়লা খননত জড়িত বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। মুখ্যমন্ত্ৰীৰ পূৰ্ণ সমৰ্থনত আৰু দেৱলাল গাৰ্লোছা আৰু তুলিৰাম ৰংহাঙৰ পৃষ্ঠপোষকতাত অবৈধ কয়লাৰ খনন চলাই গৈছে। আজি অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই অবৈধ খনন আৰু শ্ৰমিক আৱদ্ধ কাণ্ডৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু দুই ঘনিষ্ঠ দেৱলাল গাৰ্লোছা, তুলিৰাম ৰংহাঙৰ প্ৰতি আঙুলি টোৱাই কেবাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰে। জগদীশ ভূঞাই আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি শুকুৰবাৰে ডিমা হাচাওৰ শ্ৰমিক আৱদ্ধ হোৱা কয়লা খনিটো পৰিদৰ্শন কৰি অহা বুলি উল্লেখ কৰে। অসম জাতীয় পৰিষদৰ দলে সেই ঠাই কৰি কি দেখিলে আৰু তথ্য লাভ কৰিলে সেই কথা সাংবাদমেল যোগে প্ৰকাশ কৰি ভূঞাই কয় যে দুৰ্গম এলেকাটোত ১ কিলোমিটাৰৰ ভিতৰত প্ৰায় ২০টা এনে অবৈধ খনি আছে। ডিমা হাচাওত ৮০টাতকৈ অধিক এনে খনি আছে। মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে ভাষ্য সলনি কৰাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি ভূঞাই কয় যে প্ৰথমবাৰ মুখ্যমন্ত্ৰীয়ে স্বীকাৰ কৰিছে যে কয়লাখনিটো অবৈধ আৰু অসম খনিজ উন্নয়ন নিগমৰ আওতাত নাছিল। প্ৰথমে মুখ্যমন্ত্ৰীয়ে ৩ বছৰ পাছত খনন কৰা বুলি কৈ আকৌ ১২ বছৰে বন্ধ হৈ আছে বুলি প্ৰকাশ কৰি কয় যে ভাৰত চৰকাৰে নতুন নিবিদাত অসম খনিজ উন্নয়ন নিগমে খননৰ বাবে আবেদন কৰিছিল। ভূঞাই মুখ্যমন্ত্ৰীৰ সামাজিক মাধ্যমৰ পোষ্ট আৰু নিটো সলনি হৈ থকা ভাষ্যৰ প্ৰসংগ উল্লেখ কৰি কয় যে ঘটনাক লৈ মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত যি সমূহ পোষ্ট বা মন্তব্য কৰিছে এটাৰ লগত আনটোৰ মিল নাই। ডিমা হাচাওত কি হৈ আছে মুখ্যমন্ত্ৰী নিজেই ভালদৰে নাজানে। নতুবা জানি-শুনি সকলো কথা নজনাৰ ভাও ধৰিছে। ভূঞাই আৰু কয় যে গ্ৰীণ ট্ৰিবিউনেল আৰু পাছত উচ্চতম ন্যায়ালয়ে খনন বন্ধ কৰি দিছিল। ২০১৫ চনতেই উচ্চতম ন্যায়ালয়ে খনন বন্ধ কৰিছিল। কিন্তু সকলো নিৰ্দেশ জলাঞ্জলি দি ডিমা হাচাওত অবৈধ খনন কাৰ্য চলি আছে। ডিমা হাচাও আৰু কাৰ্বি আংলঙত ব্যাপক হাৰত কয়লাৰ খনন চলি আছে। তুলিৰাম ৰংহাং আৰু দেৱলাল গাৰ্লোছাৰ নেতৃত্বত কয়লাৰ খনন চলি আছে। অসম মাতৃৰ বক্ষ বিদাৰি ৰাষ্ট্ৰীয় সম্পদ লুণ্ঠন কৰি আছে অসম চৰকাৰে। দিছপুৰৰ সম্পূৰ্ণ হস্তক্ষেপত কয়লা খনন চলি আছে। অসমত থকা বহু চিমেণ্ট কোম্পানীয়ে কয়লা ক্ৰয় কৰি আছে। ডালমিয়া চিমেণ্ট, বিনয় চিমেণ্ট, ষ্টাৰ চিমেণ্ট, সূৰ্য্য চিমেণ্টকে ধৰি বিভিন্ন চিমেণ্ট কোম্পানীয়ে চুৰি কয়লা ক্ৰয় কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে দেৱলাল গাৰ্লোছাক ৰক্ষণা-বেক্ষণ দিয়াৰ অভিযোগ উত্থাপন ভূঞাই আৰু কয় যে দেৱলালক যিমানে ৰক্ষণা-বেক্ষণ নিদিয়ক কিয়, কয়লা খনিটোত অবৈধ কয়লা খননত দেৱলাল গাৰ্লোচাৰ পত্নী জড়িত থকাৰ তথ্য আছে। অসম খনিজ উন্নয়ন নিগমৰ অধ্যক্ষ আনন্দ নটৰাজক তাৎক্ষণিকভাৱে গ্ৰেপ্তাৰ কৰাৰ দাবী জনায়। গুৱাহাটীত এখন কয়লাৰ গাড়ীৰ পৰা ১ লাখ ২৫ হাজাৰ টকা প্ৰৱেশত আৰু প্ৰস্থানত ১ লাখ ২৫ হাজাৰ সংগ্ৰহ কৰি আছিল। চিণ্ডিকেট চলোৱাসকলক শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী জনাই ভূঞাই।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ ঘৰত এই দুদিন মাছেই মাছ!

গৈ একাংশ লোকে এখোজ আগুৱাই দুখোজ পিছুৱাইছে। বজাৰসমূহত মানুহৰ ভিৰ বাঢ়িছে। যদিও মানুহে পূৰ্বৰ দৰে ভোগালীৰ ভোগৰ বাবে প্ৰয়োজনীয় খাদ্য সম্ভাৰ প্ৰয়োজন অনুসৰি ক্ৰয় কৰিব পৰা নাই। তাৰ কাৰণ হৈছে টকাৰ অভাৱ। মানুহৰ হাতত নাই টকা। ৰাজ্য চৰকাৰৰ দৃষ্টিত মধ্যবিত্ত আৰু দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰা লোকসকলৰ বজাৰলৈ গ'ল মুখ শেতা পৰিছে। কিয়নো এনে এবিধ সামগ্ৰী নাই যাৰ দাম ৩০ৰ পৰা ৪০ গুণ বঢ়া নাই। আলু, মাটি আলু, বৰা চাউল, জহা চাউল, আইজং চাউল, হাঁহ, কুকুৰা, মাছ সকলোৰে আকাশলংঘী মূল্যবৃদ্ধি হৈছে। ক'বলৈ গ'লে বজাৰত জুই ছাই দাম বাঢ়িছে। মধ্যবিত্ত আৰু দৰিদ্ৰ সীমা ৰেখাৰ তলৰ পৰিয়ালৰ বজাৰত প্ৰৱেশ কৰি মূৰ ঘূৰাই পৰো পৰো অৱস্থা। বজাৰত চহা চাউলৰ প্ৰতি কেজি বিক্ৰী হৈছে এশ টকাকৈ। আইজং চাইল বিক্ৰী হৈছে ৬০ৰ পৰা ৭০ টকাকৈ। হাঁহ ৬০০ৰ পৰা ৮০০টকা, খাছী মাংস কেজি ৭০০ৰ পৰা ১০০০ টকা পৰ্যন্ত, মাটি আলু ৫০ৰ পৰা ৬০ টকা পৰ্যন্ত বিক্ৰী হৈছে। ইপিনে বজাৰত নতুন আলু, পিঁয়াজ অহাৰ পিছতো দাম কমাৰ নাম লোৱা নাই। আজিও আলু ৩০ৰ পৰা ৪০ টকা কেজি, পিঁয়াজু ৪০ৰ পৰা ৫০ টকা কেজি বিক্ৰী হৈ আহিছে। বজাৰত জুই ছাই দামৰ বাবে ভোগালীৰ বজাৰত মানুহে ক্ৰয় ক্ষমতা হেৰুৱাই পেলাইছো। মানুহে বজাৰত ইফালৰ পৰি সিফালে ঘূৰি দাম কমালৈ বাট চাইছে। কাইলৈ বজাৰত খাদ্য-সামগ্ৰী উভৈনদী হৈ হ'লে দাম কমিব বুলি বাট চাই ৰৈছে। মূল্যবৃদ্ধিত ৰাজ্যৰ জনসাধাৰণ কোঙা কৰাৰ সময়তে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক দুটাকৈ তিনিটা প্ৰকাণ্ড প্ৰকাণ্ড মাছ উপহাৰ দিছে ৰাজ্যৰ কৃষি মন্ত্ৰী অতুল বৰাই। আজি পুৱাই মুখ্যমন্ত্ৰীক চৰকাৰী আৱাসত সাক্ষাৎ কৰি মন্ত্ৰী অতুল বৰাই এটা কমেও ১৫ কেজি ওজনৰ এটা আৰি, দুটা কমেও ১০ কেজি ওজনৰ ভকুৱা উপহাৰ দিছে। লগতে কৃষি মন্ত্ৰী জৈৱিক ভাৱে উৎপাদিত শাক-পাচলি দিয়ে কৃষিমন্ত্ৰীগৰাকীয়ে। জনগণে মাঘ বিহুৰ জোগাৰ কৰিবলৈ গৈ ত্ৰাহিমধুসূদন সুঁৱৰিছে সেই সময়তে উৰুকাৰ দুদিন পূৰ্বেই মুখ্যমন্ত্ৰীক প্ৰকাণ্ড প্ৰকাণ্ড মাছ উপহাৰ হিচাপে প্ৰদান কৰিলে কৃষি মন্ত্ৰী অতুল বৰাই। সেই মাছ আৰু শাক-পাচলিৰ ছবি মুখ্যমন্ত্ৰী আৰু কৃষিমন্ত্ৰীয়ে সামাজিক মাধ্যমত পোষ্ট কৰিছে। মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীগৰাকীয়ে পোষ্ট কৰা ফটোৰ কমেণ্ট বক্সত একাংশ লোকে দুয়োগৰাকীক উভতি ধৰা দেখা যায়। একাংশ নেটিজেনে আপোনালোকে উদৰ পূৰাই খাওক। লগতে নেটিজেনে কয় যে ৰজাৰ সুখেই দৰিদ্ৰ প্ৰজাৰ সুখ। কেৱল মন্ত্ৰী অতুল বৰাই নহয়, আজি পুৱাৰ ভাগত মুখ্যমন্ত্ৰীক কেইবাগৰাকী লোকে মাছ উপহাৰ দিয়া দেখা যায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভিডিঅ' ভাইৰেল! নিলম্বিত দুই

একাংশ বিষয়া আৰু কনিষ্টবলে মাজে মাজে কৰি অহা কুকীৰ্তিয়ে অসম আৰক্ষীৰ বৰমূৰীয়াসকলৰ নাক-কাণ কাটিছে। নীৰিহ লোকক কৰা বৰ্বৰতা আৰু ধন সংগ্ৰহ কৰি আপোচ কৰা একাংশ নেতাৰ বাবে অসম আৰক্ষীৰ মৰ্যাদা লাঘৱ হৈছে। পুনৰ তিনি আৰক্ষীয়ে অসম আৰক্ষীৰ মান-অভিমান ভৰিৰে মোহাৰি পেলালে। খাকী পোছাক আৰু ক্ষমতাত গদগদ তিনি আৰক্ষীয়ে গাড়ী ধৰি ৫ হাজাৰ টকা উৎকোচ লৈছিল। ইতিমধ্যে ধন লোৱাৰ দৃশ্য গোপন কেমেৰাত ৰেকৰ্ড হোৱাত সেই দৃশ্য ভাইৰেল হোৱাত সাংবাদমাধ্যমৰ হাতত পৰে। সাংবাদমাধ্যমত খবৰ প্ৰকাশ পোৱাত উচ্চ পদস্থ আৰক্ষী বিষয়া তৎপৰ হৈ তিনি আৰক্ষীৰ ভিতৰত দুজনক চাকৰিৰ পৰা নিলম্বন কৰে আৰু আন এজনক শাস্তিমূলক বদলি কৰিছে। এইবাৰ আৰক্ষীৰ ধন সংগ্ৰহৰ ঘটনা সংঘটিত হৈছে ধুবুৰী জিলাত। যাৰ ফলত ধুবুৰী জিলাৰ নয়াহাট আৰক্ষী চকীৰ কনিষ্টবল বীৰেন্দ্ৰ বৰ্মন আৰু আতিফুৰ ৰহমানক চাকৰিৰ পৰা নিলম্বন কৰা হৈছে। আনহাতে নয়াহাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱান হায়াতক বদলি কৰা হৈছে। তিনি আৰক্ষীয়ে কেনেকৈ খাকী পোছাকত দাগ লগাইছিল সেই তথ্য পোহৰলৈ আহিছে এটা ভিডিঅ' যোগে। সামাজিক মাধ্যমত ভাইৰেল হোৱা এটা ভিডিঅ'ত কনিষ্টবল বীৰেন্দ্ৰ বৰ্মনক দেখা যায়। বীৰেন্দ্ৰ বৰ্মনে এখন গাড়ীৰ চালকৰ সৈতে টকাৰ দৰ-দাম কৰি থকা দেখা যায়। জানিব পৰা মতে, আৰক্ষীয়ে জব্দ কৰা বাহনখনত আছিল চোৰাং কাঠ। কনিষ্টবল বৰ্মনে গাড়ীখন মুকলি কৰি দিবলৈ গাড়ী মালিকপক্ষৰ পৰা ৫ হাজাৰ টকা দাবী কৰিছে। সেই সময়তে গাড়ী মুকলি কৰি নিবলৈ অহা লোকে অলপ কমাই ল'বলৈ কোৱাত 'বৰা ছাৰে নামানিব, ৫ হাজাৰ টকা দিব লাগিব' বুলি কোৱা স্পষ্টকৈ শুনা যায়। কেমেৰাৰ সন্মুখত টকা লৈ গাড়ী মুকলি কৰি দিয়ে। তাৰ পাছতে ধুবুৰী জিলাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আৰক্ষী অধীক্ষক নবীন সিং ঘটনাৰ প্ৰাথমিক তদন্ত কৰি দুই কনিষ্টবলক চাকৰিৰ পৰা নিলম্বন কৰাৰ লগতে ভাৰপ্ৰাপ্ত বিষয়াজনক বদলি কৰে। পুনৰ অসম আৰক্ষীৰ খাকী পোছাকত ক'লা দাগ সানিলে এজন আৰক্ষী কনিষ্টবলে। IC ছাৰৰ নাম লৈ ধন সংগ্ৰহ কৰা দৃশ্য বন্দী হ'ল কেমেৰাত। অবৈধ কাঠ কঢ়িয়াই নিয়া বাহন জব্দ কৰি মুকলিকৈ উৎকোচ লৈ এৰি দিলে চোৰাং কাঠ ব্যৱসায়ী আৰু বাহন। এই ঘটনা সংঘটিত হৈছে ধুবুৰী জিলাৰ নয়াহাট আৰক্ষী চকীত। নয়াহাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱান হায়াতৰ হৈ কনিষ্টবলে ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপিত হৈছে। নয়াহাট আৰক্ষী চকীত নিয়োজিত কনিষ্টবল বীৰেন্দ্ৰ বৰ্মনে মুকলিকৈ উৎকোচ সংগ্ৰহৰ ভিডিঅ' ভাইৰেল হৈ পৰা ঘটনাই লজ্জানত কৰিলে অসম আৰক্ষীক। জানিব পৰা মতে, নয়াহাট আৰক্ষী চকীত নিয়োজিত কনিষ্টবল বীৰেন্দ্ৰ বৰ্মনে এখন অবৈধ কাঠভৰ্তি টেম্পো জব্দ কৰিছিল। অবৈধ কাঠ ভৰ্তি বাহনখন মুকলি কৰি নিব খোজাত কাঠ ব্যৱসায়ীৰ সৈতে দৰ-দাম কৰি ৫ হাজাৰ টকা দিব লাগিব, নহ'লে ছাৰে নামানিব বুলি কৈ অবৈধ কাঠ ব্যৱসায়ীৰ পৰা ধন লয়। সেই দৃশ্য কোনোৱে গোপনে মোবাইলত বন্দী কৰি ভাইৰেল কৰে। এই কাণ্ডত দুই কনিষ্টবল বীৰেন্দ্ৰ বৰ্মন আৰু আতিফুৰ ৰহমান জড়িত আছিল। উচ্চপদস্থ আৰক্ষীয়ে তদন্ত কৰি বীৰেন্দ্ৰ বৰ্মন আৰু আতিফুৰ ৰহমানক চাকৰিৰ পৰা নিলম্বন কৰে। নয়াহাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱান হায়াতক অন্য থানালৈ বদলি কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰধানমন্ত্ৰীলৈ গৌৰৱ গগৈৰ পত্ৰ

উমৰাংছুৰ তিনকিলোত সংঘটিত অবৈধ কয়লা খনন কাণ্ডৰ ঘটনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হস্তক্ষেপ দাবী কৰিছে। গৌৰৱ গগৈয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এখন পত্ৰ প্ৰদান কৰি ঘটনাৰ তদন্ত কৰিবলৈ বিশেষ তদন্ত সমিতি গঠনৰ কৰাৰ দাবী জনাইছে। পত্ৰযোগে বিশেষ তদন্ত সমিতি গঠন কৰাৰ লগতে গৌৰৱ গগৈয়ে কয় যে আজিৰ দিনটোলৈকে উদ্ধাৰ অভিযানে ষষ্ঠ দিনত ভৰি দিছে যদিও ডিমা হাচাওৰ অবৈধ কয়লা খনিটোত আবদ্ধ হৈ থকা ৫ শ্ৰমিকৰ ভাগ্য অনিশ্চিত হৈ আছে। এই পৰ্যন্ত উদ্ধাৰ হৈছে চাৰিজন শ্ৰমিকৰ মৃতদেহ। দুৰ্বল আইন-শৃংখলা আৰু স্থানীয় প্ৰশাসনে ইন্ধন যোগোৱা অসমত অবৈধ কয়লাৰ খনন অব্যাহত আছে। এই শোকাৱহ ঘটনাৰ তদন্তৰ বাবে জৰুৰীভাৱে এছআইটি গঠন কৰাৰ দাবী জনাই পত্ৰযোগে। এই ট্ৰেজেডীৰ বাবে দায়ীসকলক জবাবদিহি কৰিব লাগিব লাগে বুলিও কয় গগৈয়ে। সুৰক্ষা, দুৰ্নীতি, পৰিৱেশৰ ক্ষতিৰ বিষয়সমূহৰ সমাধান কৰাটো প্ৰয়োজন। ভুক্তভোগীৰ পৰিয়াল ন্যায়ৰ যোগ্য আৰু ভৱিষ্যতে যাতে এনে ঘটনা ৰোধ কৰা হয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। সাংসদ গগৈয়ে ভুক্তভোগীসকলৰ পৰিয়ালক শীঘ্ৰে ন্যায় প্ৰদানৰো দাবী জনাইছে পত্ৰখনত।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# কনৌজত বৃহৎ অঘটন, আহত ২৩

ৰে'ল ষ্টেচনৰ দুমহলীয়া অট্টালিকাৰ লিণ্টাৰ ঢালাইৰ কাম চলি থকাৰ সময়তে সংঘটিত হয় এই ভয়ংকৰ দুৰ্ঘটনা। খবৰ অনুসৰি এই দুৰ্ঘটনাত প্ৰায় ৩৫ জন শ্ৰমিক ধ্বংসস্তূপৰ মাজত আবদ্ধ হৈ পৰে। দুৰ্ঘটনাৰ ফলত কেইবাজনো শ্ৰমিকৰ মৃত্যুৰো আশংকা কৰা হৈছে। কন্নৌজ ৰে'ল ষ্টেচনত সৌন্দৰ্য্যবৰ্ধনৰ কামৰ সময়ত সংঘটিত হয় এই দুৰ্ঘটনা। ইফালে দুৰ্ঘটনাৰ পিছতে তাৎক্ষণিকভাৱে ঘটনাস্থলীত উপস্থিত হয় ৰে'লৱে, আৰক্ষী আৰু প্ৰশাসনিক বিষয়া। এই পৰ্যন্ত ২৩ জন শ্ৰমিকক উদ্ধাৰ কৰা হৈছে, ইয়াৰে তিনিজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ততাতৈয়াকৈ দুৰ্ঘটনাটোৰ বিষয়ে অৱগত হৈ সংশ্লিষ্ট বিষয়াসকলক শীঘ্ৰে সেই স্থানত উপস্থিত হৈ উদ্ধাৰৰ কাম ক্ষিপ্ৰতাৰে কৰিবলৈ নিৰ্দেশ দিয়ে। আহতসকলৰ উপযুক্ত চিকিৎসাৰ নিৰ্দেশ দি মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ আশু আৰোগ্য কামনা কৰিছে। পূৰ্বোত্তৰ ৰে'লৱেৰ সূত্ৰ অনুসৰি শনিবাৰে দিনৰ ২:৩৯ বজাত সংঘটিত হৈছে এই ভয়ংকৰ দুৰ্ঘটনা। গোৰখপুৰৰ পূৰ্বোত্তৰ ৰে'লৱেৰ মুখ্য জনসংযোগ বিষয়া পংকজ কুমাৰ সিঙে কয় যে ৰে'লৱে আৰু ৰাজ্য চৰকাৰৰ যৌথ দলে যুদ্ধকালীনভাৱে উদ্ধাৰ অভিযান চলাই আছে। একে সময়তে সাধাৰণভাৱে আঘাতপ্ৰাপ্ত শ্ৰমিকক ৫ হাজাৰ টকা আৰু গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত শ্ৰমিকৰ বাবে ৫০ হাজাৰ টকাৰ এককালীন সাহায্য ঘোষণা কৰা হৈছে।

# মুখ্যমন্ত্ৰী হিমন্ত বিশ্বক উভতি ধৰিলে ডিমা হাছাও জিলা কংগ্ৰেছে, বিচাৰিলে খনি পৰিত্যক্ত হোৱাৰ প্ৰমাণ

**ই-সংবাদ, ডিফু, ১১ জানুৱাৰীঃ** উমৰাংছুৰ কয়লাখনিত সংঘটিত দুৰ্ঘটনা আৰু জিলাখনত চলি থকা অবৈধ কয়লাৰ ব্যৱসায় আৰু চিণ্ডিকেটৰ বিৰুদ্ধে চিবিআই তদন্তৰ দাবী কৰাৰ লগতে মুখ্যমন্ত্ৰীক উভতি ধৰে ডিমা হাছাও জিলা কংগ্ৰেছে। ডিমা হাছাও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ সন্মুখত আজি ধৰ্ণা প্ৰদৰ্শন কৰে জিলা কংগ্ৰেছে। জিলা কংগ্ৰেছৰ শীৰ্ষ নেতা নিৰ্মল লাংথাচাই কয় যে, মুখ্যমন্ত্ৰীয়ে কালি সংবাদমেলত এই খনিটো পৰিত্যক্ত বুলি দাবী কৰিছিল। যদি খনিটো পৰিত্যক্ত তেন্তে পৰিত্যক্ত হোৱাৰ তথ্য এমবিচি বিভাগে কেতিয়া জাৰি কৰিছিল বুলি প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয়, "১৯৮৩ চনত মোৰ পিতৃ জিচি লাংথাচাৰ দিনত উমৰাংচত কয়লা খনন আৰম্ভ হৈছিল আৰু ইয়াৰ সীমা নিৰ্ধাৰণ কৰি ব্লক সমূহ আৱণ্টন দিয়া হৈছিল। এমবিচি বিভাগ পৰিষদৰ অধীন নহয় যদিও পৰিষদে ইয়াৰ পৰা ৰয়েলটি লাভ কৰে।" এই ৰয়েলটিৰ ক্ষেত্ৰতো বৃহৎ অনিয়ম সংঘটিত হোৱা বুলি দাবী কৰে লাংথাচাই। ২০১৬ চনৰ পৰা অবৈধ খনন হোৱা বুলি দাবী কৰি এখন গাড়ীত ১ লাখ ২৫ হাজাৰ টকাৰ কয়লা যায় বুলি উল্লেখ কৰি এমবিচি বিভাগে দহ টন কয়লাৰ চালান দিয়ে বুলি উল্লেখ কৰে। ইয়াৰ বাবদ ১০ হাজাৰকৈ টকা জমা দি ৯০ হাজাৰ টকা আত্মসাৎ কৰা হয় বুলি দাবী কৰে । প্ৰতিখন গাড়ীৰ পৰা চুৰি হোৱা ৯০ হাজাৰ টকা কাৰ হাতলৈ যায় তাৰ চিবিআই তদন্ত দাবী কৰে। লগতে যাৰ যাৰ নামত চালান কটা হয় তাৰ সম্পূৰ্ণ তথ্য ৰাজহুৱা কৰাৰ দাবী জনায়। বিগত পৰিষদীয় নিৰ্বাচনত নিৰ্দলীয় ৰূপে অৱতীৰ্ণ হোৱা পুণিছ নুনিছাকে ধৰি আন প্ৰাৰ্থীসকল এই অবৈধ খননত জড়িত বুলি অভিযোগ কৰে। এমবিচিৰ এক্তিয়াৰৰ বাহিৰত কোনে কোনে কয়লা খনন চলাইছে তাৰো চিবিআই তদন্ত দাবী কৰে কংগ্ৰেছ দলে। উমৰাংছুত চলা কয়লা চিণ্ডিকেটৰ ফলত বৈধভাবে কয়লা খনন কৰা লোক সকলো সমস্যাৰ সন্মুখীন হৈছে বুলি উল্লেখ কৰি এজন ব্যক্তিৰ নাম থকা চালানতহে কয়লা যায় বুলি দেৰলাল গাৰ্লোচাৰ পত্নী কণিকা হোজাইলৈ আঙুলি তোলে। উমৰাংছুৰ কয়লা খননৰ চিবিআই তদন্ত দিবলৈ মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনাই লাংথাচাই ২০১৬ চনৰ পিছৰ পৰা এমবিচিৰ টেকনিকেল টীম নাই বুলি দাবী কৰে। সকলো গুৱাহাটীৰ পৰা নিয়ন্ত্ৰণ হয় আৰু কয়লাৰ মূল্য অত্যাধিক বৃদ্ধি পাইছে, আনকি বিদেশৰ কয়লা ইয়াতকৈ সস্তা হয় বুলিও লাংথাচাই দাবী কৰে। চিণ্ডিকেটৰ বাবেই পৰিষদ আৰু অসম চৰকাৰে বৃহৎ পৰিমাণৰ ৰাজহ হেৰুৱাবলগীয়া হৈছে বুলিও লাংথাছাই উল্লেখ কৰি ২০২৬ত কংগ্ৰেছ চৰকাৰ হ'লে এই সকলোবোৰ তদন্ত কৰা হ'ব বুলিও কংগ্ৰেছ নেতা লাংথাচাই সংবাদমেলত কয়।

# অশ্বিনীৰ আয় বহিৰ্ভূত সম্পত্তি! শিৱসাগৰ জিলা পৰিষদৰ পুৰণি কাৰ্যালয়ত ভিজিলেন্সৰ পুনৰ অভিযান

**ই-সংবাদ, শিৱসাগৰ, ১১ জানুৱাৰীঃ** দুৰ্নীতিৰ সদাগৰ অশ্বিনী কুমাৰ দলেৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে শিৱসাগৰত অব্যাহত ৰাখিছে অভিযান। আজি বিয়লি ৪-৪৫ বজাত অশ্বিনী কুমাৰ দলেৰ দুৰ্নীতিৰ দস্তাবেজ বিচাৰি তদাৰকী কোষে শিৱসাগৰ জিলা পৰিষদৰ পুৰণি কাৰ্যালয়ৰ চৌহদত চলাই অভিযান। অশ্বিনী কুমাৰ দলেৰ নেতৃত্বতে শেহতীয়াকৈ জিলা পৰিষদৰ পুৰণি কাৰ্যালয় চৌহদত নিৰ্মাণ কৰিছিল এটা ১২ ডি চিনেমা হল। পুৰণা বিল্ডিং ভাঙি নিৰ্মাণ কৰিছিল হলটো।যোৱা ৩১ ডিচেম্বৰত উদ্বোধন কৰা ১২ ডি চিনেমা হলটো নীৰিক্ষণ কৰে তদাৰকী কোষে। লক্ষ্যণীয় যে চৌহদটোত পুৰণি বিল্ডিং ভাঙি কেইখনমান দোকান গৃহ নিৰ্মাণৰ কামো অশ্বিনী দলেৰ কৃপাতে চলিছিল। পিছে ব্যাপক অনিয়ম আৰু অবৈধ ভাৱে নিৰ্মাণ কৰা হ'ল সেই দোকান কেইখন। উল্লেখ্য যে ঐতিহাসিক শিৱদৌল, দেৱী দৌলৰ কাষতে আছে জিলা পৰিষদৰ পুৰণি কাৰ্যালয়। দৌলৰ সমীপত নতুনকৈ কোনো গৃহ নিৰ্মাণ কৰিবলৈ হ'লে পুৰাতত্ব বিভাগৰ অনুমতি ল'ব লাগে। কিন্তু অতি পৰিতাপৰ বিষয় যে পুৰাতত্ব বিভাগৰ অনুমতি অবিহনেই মইমতালিৰে সেই স্থানত নতুনকৈ গৃহ নিৰ্মাণ কৰা হ'ল। দোকান ল'বলৈ বুলি খাপ পিতি থকা একাধিক ব্যৱসায়ীৰ সৈতে গোপন মিতিৰালি কৰিয়েই এই কাম কৰা হ'ল। চৰকাৰী ভূমি, চৰকাৰী ধনেৰে নিৰ্মাণ কৰা দোকান কাৰোবাক ভাড়া অথবা লীজত দিবলৈ হ'লে ৰাজহুৱা জননী দিব লাগে। অথবা নিবিদা আহ্বান কৰিব লাগে। কিন্তু টকা আৰু ক্ষমতাই মূৰত ধৰা অশ্বিনী দলেয়ে তেনে কোনো নীতি নিয়ম নামানি মইমতালিৰে উক্ত নৱনিৰ্মিত দোকান গৃহ চমজালে কেইগৰাকীমানক। ইয়াকে লৈ একাংশ বঞ্চিত ব্যৱসায়ীয়ে ক্ষোভ প্ৰকাশ কৰাৰ সময়তে আজি হঠাৎ চৌহদটোত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ দল প্ৰৱেশ কৰাত সকলোৰে মাজত লাগিছে হাহাকাৰ। অন্যহাতে উক্ত নৱ নিৰ্মিত দোকান গৃহ সমূহ আবণ্টনৰ ক্ষেত্ৰত নিবিদা হ'ব লাগে বুলি দাবী তুলিছে একাংশ ব্যৱসায়ীয়ে। অশ্বিনী কুমাৰ দলেয়ে চূড়ান্ত অনিয়মেৰে নৱ নিৰ্মিত দোকান কেইখন বেলেগক চমজাই দিয়া বুলি অভিযোগ তুলিছে। উল্লেখ্য যে অশ্বিনী কুমাৰ দলেৰ বিৰুদ্ধে আয়তকৈ সম্পত্তিৰ পৰিমাণ অধিক হোৱা তথা আয়বহি:ভূত সম্পত্তিৰ গৰাকী হোৱা, কেতবোৰ আঁচনিত দুৰ্নীতি কৰা অভিযোগ উঠিছে। তদাৰকী কোষে ১/২০২৫ নং গোচৰ ৰুজু কৰি প্ৰথম যোৱা ৪ জানুৱাৰীত শিৱসাগৰ কেন্দ্ৰীয় বজাৰৰ সন্মুখত থকা অশ্বিনী কুমাৰ দলেৰ কোৱাৰ্টাৰত অভিযান চলাইছিল। তাৰ পিছত ভিজিলেন্সৰ দলটোৱে শিৱসাগৰ জিলা পৰিষদৰ নতুন কাৰ্যালয়ত দুবাৰ চলাই অভিযান।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইচ্ছা কৰিয়েই পঞ্চায়ত নিৰ্বাচন পতা

কৰিছে অসম প্ৰদেশ কংগ্ৰেছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ইচ্ছা কৰিয়েই পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ভূপেন কুমাৰ বৰাই চৰকাৰ আৰু মুখ্যমন্ত্ৰীক লক্ষ্য কৰি লৈ কয় যে ইচ্ছাকৃতভাৱে পঞ্চায়ত নিৰ্বাচনত পলম কৰা হৈছে। চৰকাৰে ডিমা হাচাওৰ উমৰাংছুৰ কয়লা খনি কাণ্ডক লৈ বিমোৰত পৰিছে। সেই কাৰণে বিলম্ব কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অনীহা প্ৰকাশ কৰিছে। যদি এতিয়া নিৰ্বাচন অনুষ্ঠিত কৰা হয় তেন্তে তেওঁলোক পৰাজিত হোৱাৰ আশংকাত পৰিছে। বৰাই প্ৰশ্ন কৰি কয় যে মুখ্যমন্ত্ৰীয়ে কিয় ন্যায়াধীশৰ বিষয়ত মন্তব্য দিয়াৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে। যিহেতু বিষয়টো বিচাৰাধীন আৰু ন্যায়ালয়ৰ ৰায়ৰ অপেক্ষা কৰি থকা হৈছে। তাৰ পূৰ্বেই মুখ্যমন্ত্ৰীয়ে কালি নিৰ্বাচন তাৰিখলৈ পিছুৱাই দিয়াৰ সিদ্ধান্ত লৈ ঘোষণা কৰিছে। ইয়াৰ দ্বাৰ স্পষ্ট হয় যে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ তেওঁৰ অনিচ্ছাকে সূচায়। নিৰ্বাচন অনুষ্ঠিত কৰা হোৱা নাই কিয় তাৰ উত্তৰ দি বৰাই কয়- কিয়নো অবৈধ কয়লা খননৰ বাবে উমৰাংছুৰ এটা কয়লা খনিত প্ৰায় ২০-২৫টা নিষ্প্ৰাণ মৃতদেহ পৰি আছে। জনসাধাৰণৰ ক্ষোভ বাঢ়ি আহিছে। মুখ্যমন্ত্ৰীয়ে জানে যে বিজেপিয়ে জনসাধাৰণৰ ওপৰত নিজৰ দখল হেৰুৱাইছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে ২০ ডিচেম্বৰত ৰিট আৱেদনৰ শুনানি গ্ৰহণ কৰি অসম ৰাজ্যিক নিৰ্বাচন আয়োগক আদালতৰ আগতীয়া অনুমোদন অবিহনে পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত কোনো জাননী জাৰি নকৰিবলৈ নিৰ্দেশ দিছিল। শুকুৰবাৰে মুখ্যমন্ত্ৰীয়ে কয় যে যদি মাজনিশাৰ ভিতৰত উচ্চ ন্যায়ালয় যদি ৰায় দিয়ে তেন্তে ফেব্ৰুৱাৰীত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। যদি নিদিয়ে তেন্তে মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ পাছত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। কিয়নো ১৪ ফেব্ৰুৱাৰী অনুষ্ঠিত হ'ব মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিকৰ পৰীক্ষা। ইপিনে উমৰাংছুৰ অবৈধ কয়লাখনিৰ খননক লৈ পুনৰ আজি আক্ৰমণ কৰে ভূপেন কুমাৰ বৰাই। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত অবৈধ কয়লা খননৰ উপাৰ্জনৰ পৰা অংশী লাভ কৰে বুলি অভিযোগ আনে। উত্তৰ কাছাৰ পাহাৰ স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছা আৰু তেওঁৰ পত্নী কণিকা হোজাইৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হোৱা নাই। মুখ্যমন্ত্ৰীয়ে তেওঁৰ কেবিনেটৰ এজন মন্ত্ৰীৰ জৰিয়তে অবৈধ কয়লা খননৰ পৰা ধন লাভ কৰি আহিছে। তেওঁ সকলো জানে কিন্তু একো কৰিব নোৱাৰে। যদি গাৰ্লোছা আৰু তেওঁৰ পত্নীক গ্ৰেপ্তাৰ কৰা হয়, তেন্তে তেওঁলোকে চিণ্ডিকেটৰ সৈতে জড়িত সকলো তথ্য উন্মোচিত কৰিব। আনহাতে পঞ্চায়ত নিৰ্বাচনৰ তাৰিখ ঘোষণাত বিলম্ব হোৱাত সাংসদ গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীক সমালোচনা কৰে। পঞ্চায়ত নিৰ্বাচনত পলম হোৱাৰ বাবে এক ক্ৰটিপূৰ্ণ সমষ্টিৰ সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়াক দোষাৰোপ কৰে। গগৈয়ে কয় যে অসমত সমষ্টিৰ সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়া জনসাধাৰণৰ হিতৰ বাবে হোৱা নাই। বিজেপিৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে সমষ্টি পুনৰ নিৰ্ধাৰণ কৰা হৈছে। যাৰ ফলত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাত ব্যৰ্থ হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'চিএম হ'লেই ডাঙৰ নহয়! ক'ৰ্টে

তেওঁ নিজকে আইনৰ উৰ্ধত বুলি ভাবে। আজি এনেদৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণৰ লক্ষ্য কৰি লয় ৰাজ্যৰ প্ৰবীণ আইনজ্ঞ হাফিজ ৰশ্বিদ আহমেদ চৌধুৰীয়ে। কংগ্ৰেছৰ অধিবক্তাৰ বাবে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাত বিলম্ব হোৱা বুলি মুখ্যমন্ত্ৰীয়ে কৰা বক্তব্যক উভতি ধৰি আজি এনেদৰে কয় হাফিজ ৰশ্বিদ আহমেদ চৌধুৰীয়ে। পঞ্চায়ত নিৰ্বাচন চৰকাৰ তথা মুখ্যমন্ত্ৰীয়ে জানি শুনি বিলম্ব কৰাৰ অভিযোগ আনি হাফিজ ৰশ্বিদ আহমেদ চৌধুৰীয়ে কয়- এবছৰ আগতে নিৰ্বাচন পাতিব লাগিছিল। কিন্তু এবছৰে চৰকাৰ শুই থাকিল। এতিয়া লৰালৰি লগাইছে। পঞ্চায়তৰ যিবোৰ গোচৰ হৈছে এই সকলোবোৰ বিভিন্ন পঞ্চায়তৰ লোকে ব্যক্তিগতভাৱে তৰিছে। ব্যক্তিগত লোকসকলে ব্যক্তিগতভাৱে আমাক গোচৰ চলাব দিছো। সেই কাৰণে আমি গোচৰ হাতত লৈছো বুলি স্পষ্ট কৰে চৌধুৰীয়ে। মুখ্যমন্ত্ৰীয়ে নিজেই ঘোষণা কৰিছিল ১২ ফেব্ৰুৱাৰীৰ আগত নিৰ্বাচন সম্পূৰ্ণ কৰিম। এই কথাবোৰ যে কৈ থাকে তেওঁ কথাবোৰ জানিব লাগে। তেওঁ নিজেও এজন আইনৰ ছাত্ৰ। আইন পঢ়া-শুনা কৰিছে। তেওঁ এইবোৰ নজনাকৈ কৈ থকা নাই। তেওঁ যে কৈ দিয়ে ইমান তাৰিখে নিৰ্বাচন অনুষ্ঠিত কৰিম। নিৰ্বাচনী আচৰণ বিধি কাৰ্যকৰী কৰিম। ৬ জানুৱাৰীত নিৰ্বাচনী আচৰণ বিধিৰ ড্ৰাফট উলিয়াই দিলে। কিন্তু গোচৰ আদালতত অসম্পূৰ্ণ হৈ আছে। তেওঁ কৈ দিলে যে ১২ ফেব্ৰুৱাৰীত নিৰ্বাচন শেষ কৰিম। ৯টা গোচৰত উচ্চ ন্যায়ালয়ে নিৰ্বাচন স্থগিতাদেশ দিছিল। মৰিগাঁও, নগাঁও, কৰিমগঞ্জ, হাইলাকান্দি জিলাৰ পৰা গোচৰ তৰা হৈছে। আদালতে কৈছিল যে যেতিয়ালৈকে আদালতৰ ৰায় নাহে তেতিয়ালৈকে নিৰ্বাচন পাতিব নোৱাৰিবা। ২৯ ডিচেম্বৰত চৰকাৰে আদালতত আৰ্জি দি কয় যে আমাক অনুমতি দিয়ক আমি নিৰ্বাচনৰ পাতিবলৈ অধিসূচনা জাৰি কৰিম। আমি তেতিয়া আদালতত কৈছিলো এজন ভাৰতীয় নাগৰিক, অসমৰ নাগৰিক হিচাপে সমষ্টি পুনৰ নিৰ্ধাৰণ মতেই নিৰ্বাচন হ'ব লাগে। এইটো প্ৰত্যকৰে দায়িত্ব। পঞ্চায়তীৰাজ মহাত্মা গান্ধীৰ সপোন আছিল। আজি এখন সংবাদমেল সম্বোধন কৰি চৌধুৰীয়ে সমষ্টি নিৰ্ধাৰণত কৰা খেলি-মেলি কৰি আইন, এছঅ'পি উলংঘা কৰা হৈছে বুলি অভিযোগ আনে। তোমালোকে নিজই আইন উলংঘা কৰিছা তাৰ পিছত এইবোৰ কিয় কৰি আছা বুলি প্ৰশ্ন কৰে চৌধুৰীয়ে। লগতে চৌধুৰীয়ে কয় যে ১৭ ডিচেম্বৰত আদালতে নিৰ্বাচনত স্থগিতাদেশ দিছে। পুনৰ শুনানিৰ দিন ধাৰ্য কৰিছিল ৯ জানুৱাৰী। তাৰ আগলৈ নিৰ্বাচনী অধিসূচনা জাৰি কৰিব নোৱাৰিব বুলি কৈছিল। কিন্তু পঞ্চায়তৰ কাৰ্যকাল সমাপ্ত হোৱাৰ ছয়মাহৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিছিল। এটা বছৰ পাৰ হৈ গ'ল। ২০২৪ চনৰ ২৪ ফেবুৱাৰীত কাৰ্যকাল সমাপ্ত হৈছে। ফেব্ৰুৱাৰীৰ পিছৰে পৰা ছয়মাহৰ ভিতৰত নিৰ্বাচন পাতিব লাগিছিল। কিয় পতা নাছিল? সেই সময়ত কোনো অসুবিধা নাছিল। তেতিয়া নিৰ্বাচন নাপাতিলে। হঠাৎ আহি তেওঁলোকে কৈছে যে নিৰ্বাচন জৰুৰী। এটা বছৰৰ অন্তত তোমালোক জাগিছে। এতিয়া মহাধিবক্তাই কৈছে যে জৰুৰী নিৰ্বাচন পাতিবলৈ অনুমতি দিব লাগে। এবছৰ শুই থাকিলে। হঠাতে কৈ আছে যে যিকোনো প্ৰকাৰে নিৰ্বাচন পাতিব লাগে। তাৰ কাৰণ কি? তাৰ কাৰণ হৈছে সমষ্টি পুনৰ নিৰ্ধাৰণ। সম্পূৰ্ণ ৰাজনৈতিক উদ্দেশ্যে প্ৰণোদিতভাৱে সমষ্টি পুনৰ নিৰ্ধাৰণ কৰা হৈছা। সম্পূৰ্ণ সাম্প্ৰদায়িক ৰং সানি দিয়া হৈছে। এটা ৱাৰ্ডত কৰবাত ২১ জন মানুহ আছে। ক'ৰবাত ৬০০ মানুহ আছে। স্বামীৰ নাম বেলেগ ৱাৰ্ডত। পত্নীৰ নাম বেলেগ ৱাৰ্ডত। ঘৰৰ ওচৰত পঞ্চায়ত আছে, কিন্তু বহু নিলগত আন এটা পঞ্চায়তত নাম ভৰাই দিয়া হৈছে। আমি পোৱা খবৰ মতে, বিজেপি আৰু আৰএছএছৰ মানুহে তেওঁলোকৰ ইচ্ছা অনুসৰি পঞ্চায়তসমূহ তেনেকৈ গঠন কৰিছে। বিষয়াৰ কোনো ভূমিকা নাছিল। অমুকক নাম ইয়াৰ পৰা তালৈ নিব লাগে। কাৰণ ইয়াত নিৰ্বাচন খেলিলে জয়ী হৈ যাব। কালি আমাৰ শুনানি ৩.৩০ সমাপ্ত হৈছে। ৩.৪৫ত আদালত উঠিছে। উঠাৰ সময়তে আদালতে কৈছে যে চেম্বাৰত গৈ ৰায়ৰ বাবে ডিক্টেচন দিম। আদালতে কেতিয়াও কোৱা নাই আজি ৰায় দিম বা কালি ৰায় দিম। তেওঁলোকে বহি আছে যে আদালতে নিৰ্দেশনা দিবই। ১২টা বজাৰ আগত নিৰ্দেশ দিব। নিদিলে নিৰ্বাচন নাপাতিম। ৰায় নিদিলে নিৰ্বাচন অনুষ্ঠিত নকৰো। কেবিনেট বহি গৈছে। তেওঁলোকে সাজু। তেওঁলোকে বুজা নাই যে আদালত বেলেগ বস্তু। আদালতে প্ৰমাণ কৰি দিলে যে আদালত ডাঙৰ নে তুমি মুখ্যমন্ত্ৰী ডাঙৰ। তেওঁলোকে বিচাৰিছিল আদালতক প্ৰভাৱান্বিত কৰিব। কিন্তু তেনে কৰিব নোৱাৰে। আদালত আৰু ন্যায়াধীশে বুজি নাপায় কোন কোন দলৰ হয়। তেওঁলোকে কেৱল জানে আইনৰ কথাহে। এনেদৰে আজি সংবাদমেলত মুখ্যমন্ত্ৰীৰ মন্তব্যক ওভতি ধৰে বিশিষ্ট আইনজ্ঞগৰাকীয়ে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১০৪ বছৰত মুক্তিযোদ্ধা সত্যলতা

গৌৰীপুৰস্থিত নিজা বাসভৱনত ১০৪ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত শেষ নিশ্বাস ত্যাগ কৰে বিশিষ্ট মুক্তিযোদ্ধাগৰাকীয়ে। স্বাধীনতা সেনানী সত্যলতা গগৈৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে গৌৰীপুৰস্থিত আইতাৰ বাসগৃহত অজস্ৰজন উপস্থিত হৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। উল্লেখ্য যে, ১৯২১ চনৰ ২৮ মে' ত শিৱসাগৰ জিলাৰ বেতবাৰী দগাঁৱত জন্মগ্ৰহণ কৰা সত্যলতা গগৈৰ পিতৃৰ নাম আছিল চেনীৰাম চেতিয়া আৰু মাতৃ সৰুমলা চেতিয়া। ছজন ককাই-ভাই আৰু বাই-ভনীৰ ভিতৰত সত্যলতা গগৈ আছিল পিতৃ-মাতৃৰ চতুৰ্থ কন্যা। সেইসময়ত গাঁওখনত ছোৱালীক স্কুলত পঢ়ুওঁৱাতকৈ ঘৰুৱা কাৰিকৰী শিক্ষা যেনে- সূতা কটা, তাত বোৱা, হাতেৰে চিলাই কৰা, পথাৰত ৰোৱা-তোলা কৰা, ধান দোৱা, মৰণা মৰাৰ লগতে অন্যান্য সামাজিক আচৰণ আদিৰ ওপৰতহে অধিক গুৰুত্ব দিছিল। সেইসময়ত বেতবাৰীত শিক্ষানুষ্ঠান বুলিবলৈ ঘৰৰ পৰা ৫-৬ মাইল দূৰৈত এখনহে প্ৰাথমিক বিদ্যালয় আছিল। ১৩-১৪ বছৰ বয়সত দুই-তিনি দিনমান স্কুললৈ যায় যদিওঁ প্ৰাথমিক শিক্ষা সিমনাতে অন্ত পৰা দৰে হৈছিল। অৱশ্যে ভায়েক মহেশ্বৰ চেতিয়াৰ লগত স্বৰবৰ্ণ আৰু ব্যঞ্জন বৰ্ণৰ লগত চিনাকি হল যদিওঁ যুক্তাক্ষৰৰ সৈতে চিনাকি হবলৈ একপ্ৰকাৰ থাকি গৈছিল আইতা সত্যলতা গগৈৰ। ইতিমধ্যে সমগ্ৰ ভাৰতজুৰি বিদেশী বস্ত্ৰ বৰ্জন আন্দোলন আৰম্ভ হোৱাত উক্ত আন্দোলনত জঁপিয়াই পৰিছিল সত্যলতা গগৈয়ে। সৰুৰে পৰা পিতৃ-মাতৃৰ সৈতে মুগা পোহা, সূতা কটা, তাত বোৱা আদিত পাকৈত সত্যলতা গগৈক পিতৃ-মাতৃয়ে তেওঁলোকৰ দ্বিতীয় পুত্ৰ কুমুদ চেতিয়া আৰু চতুৰ্থ কন্যা সত্যলতা গগৈক বিশিষ্ট স্বাধীনতা সেনানী শংকৰ বৰুৱাৰ আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ দেশৰ বাবে যুঁজিবলৈ আগবঢ়াই দিছিল। সত্যলতা গগৈৰ বয়স তেতিয়া ১৩ কি ১৪ বছৰ। " মাতৃভূমি স্বৰ্গতকৈয়ো শ্ৰেষ্ঠ" - বাক্যশাৰী শিৰোধাৰ্য কৰি পিতৃ-মাতৃৰ চৰণ চুই বৃটিছ চৰকাৰৰ বিৰুদ্ধে গণ আন্দোলনত যোগ দিছিল সত্যলতা গগৈ আৰু ভাতৃয়ে। তেতিয়া আন্দোলনৰ কৰ্মীসকলক 'ভলন্টিয়াৰ' বুলি কোৱা হৈছিল। যিদিনাই মাক-দেউতাকে দেশৰ স্বাধীনতা আন্দোলনৰ কৰ্মী হবলৈ আগবঢ়াই দিছিল, সেইদিনাৰ পৰাই সত্যলতা গগৈয়ে শৰীৰৰ অলংকাৰ বৰ্জন কৰিছিল। সত্যলতা গগৈৰ শিক্ষা-দীক্ষা নাছিল যদিওঁ কংগ্ৰেছ দলত থাকি যথেষ্ট উৎসাহ-উদ্দীপনা পাইছিল। সেই সময়ত কংগ্ৰেছ কৰ্মীসকলৰ ওপৰত যথেষ্ট অত্যাচাৰ চলিছিল। ১৯৪২ চনত পিতৃ চেনিৰাম চেতিয়াই অন্যান্য কংগ্ৰেছ কৰ্মীৰ সৈতে ৬ মাহ কাৰাবাস খাটিব লগীয়া হৈছিল। ১৯৪৭ চনৰ ১৫ আগষ্টত আমাৰ দেশ স্বাধীন হোৱাৰ পিছত শ্বিলঙ (লেডী হাইওৱে) ত অনুষ্ঠিত অসমৰ শিল্প-সংস্কৃতিৰ এক প্ৰদৰ্শনী অনুষ্ঠানত অসম চৰকাৰৰ চেৰিকালচাৰ বিভাগে সত্যলতা গগৈক বিশেষভাৱে নিমন্ত্ৰণ কৰি নিছিল ১৯৪৮ চনত মুক্তিযুঁজাৰু নবীন গগৈৰ সৈতে বিবাহ পাশত আৱদ্ধ হোৱা সত্যলতা গগৈয়ে ১৯৫১ চনত ডিমৌ আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। ১৯৬১ চনত নৱেম্বৰ মাহত নিতাইপুখুৰী হাইস্কুলত কাৰিকৰী শিক্ষাৰ বস্ত্ৰ শিল্প বিভাগৰ সহঃ শিক্ষয়িত্ৰী হিচাপে প্ৰায় ৭ বছৰ চাকৰি কৰা সত্যলতা গগৈয়ে। চৰকাৰৰ অৱহেলাৰ বাবে বিষয়টো স্কুলীয়া পাঠ্যক্ৰমৰ পৰা উঠি যোৱাত সত্যলতা গগৈৰ সিমানতে চাকৰি জীৱনৰ অন্ত পৰিছিল। মানৱ সেৱাকে জীৱনৰ মহৎতম সেৱা হিচাপে লোৱা সত্যলতা গগৈয়ে কিশোৰী অৱস্থাৰ পৰাই গণ আন্দোলনত যোগ দি বৃটিছৰ বিৰুদ্ধে জঁপিয়াই পৰাৰ সমান্তৰালকৈ দুৰ্নীতি-ভণ্ডামিৰ বিৰুদ্ধে আজীৱন যুঁজি গৈছিল। ২০১১ চনৰ ৮ ছেপ্টেম্বৰত তেতিয়াৰ নব্বৈ উৰ্ধৰ এইগৰাকী সত্যলতা গগৈয়ে দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে জনলোকপাল বিধেয়কখন গ্ৰহণৰ দাবীত দিল্লীৰ ৰামলীলা ময়দানত অনশনত বহা প্ৰবীণ গান্ধীবাদী নেতা আন্না হাজাৰেক টিভিত দেখিয়েই ডুমডুমা গান্ধী মূৰ্তিৰ সমীপত আন্না হাজাৰেৰ সমৰ্থনত অনশনত বহি দেশবাসীৰ দৃষ্টি আকৰ্ষণ কৰিছিল। কেইবাদিন ধৰি বহা অনশনত এইগৰাকী নব্বৈ উৰ্ধৰ অতি দৃঢ়মনা তথা সংগ্ৰামী সত্তা আইতাই আন্না হাজাৰেয়ে অনশন ভংগ কৰাৰ পিছতহে ফলৰ ৰস সেৱন কৰি নিজৰ অনশন ভংগ কৰাৰ দৃশ্য ডুমডুমাবাসীয়ে এক প্ৰকাৰ কেতিয়াও পাহৰিব নোৱাৰা দৃশ্য বুলিব পাৰি। মহাত্মা গান্ধীৰ আদৰ্শক সাৱোগত কৰি আজীৱন খদ্দৰ কাপোৰ পৰিধান কৰা শতায়ু গৰকা ৰাজ্যৰ এইগৰাকী বিশিষ্ট মুক্তিযোদ্ধাৰ শেষকৃত্য ৰাজ্যিক মৰ্য্যদাৰে সম্পন্ন কৰা হয়। শেষকৃত্য অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী ৰূপেশ গোৱালা, প্ৰাক্তন বিধায়ক দুৰ্গা ভূমিজ, তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পাল, ডুমডুমা সমজিলা আয়ুক্ত নুজহাৎ নাচৰিণ, ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নৱজ্যোতি চহৰীয়া, অতিৰিক্ত আয়ুক্ত চিন্ময় পাঠক, অতিৰিক্ত আৰক্ষী অধীক্ষক, তিনিচুকীয়া জিলা কংগ্ৰেছৰ সভাপতি জয়ন্ত কলিতা, মৰাণ স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, ৰাইজৰ দলৰ প্ৰতিনিধি আদিৰ লগতে কেইবাটাও দল-সংগঠন অনুষ্ঠান-প্ৰতিষ্ঠানৰ ব্যক্তি বিশেষ উপস্থিত থাকে। বিশিষ্ট প্ৰবীণ মুক্তিযোদ্ধা সত্যলতা গগৈৰ মৃত্যুত ফিল'বাৰী শাখা সাহিত্য সভা, ফিল'বাৰী সাংবাদিক চ'ৰা, ফিল'বাৰী আঞ্চলিক ছাত্ৰ সন্থা, " আপকু " ৰ তিনিচুকীয়া জিলা সমিতি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, চুতীয়া ছাত্ৰ সন্থা, সদৌ মৰাণ ছাত্ৰ সন্থা, গোৰ্খা ছাত্ৰ সন্থা, আছা , আটছা, ডুমডুমা প্ৰেছ ক্লাৱ, ডুমডুমা সাহিত্য সভা তিনিচুকীয়া জিলা সাহিত্য সভা, মুক্তি যুঁজাৰু সন্মিলনৰ তিনিচুকীয়া জিলা সমিতি, ভোজপুৰী পৰিষদ, গাভৰুভেঁটি সমবায় সমিতি, ডুমডুমা ব্লক কংগ্ৰেছ, ৰঙাজান-গাভৰুভেঁটি বিজেপি মণ্ডল, কাকপথাৰ মণ্ডল কংগ্ৰেছ কমিটী, গাভৰুভেঁটি কলা-কৃষ্টি কেন্দ্ৰ, অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখা, ৰামধেনু মহিলা চ'ৰা, অসম পেঞ্চনাৰ সাংবাদিক সন্থা, গোৰ্খা কলা-কৃষ্টি বিকাশ কেন্দ্ৰ, নেপালী সাহিত্য সভাৰ তিনিচুকীয়া জিলা সমিতি, চিকৰাজন জাতীয় বিদ্যালয়, ফিল'বাৰী চিনিয়ৰ চেকেণ্ডাৰী স্কুল, শংকৰদেৱ শিশু নিকেতন, ফিল'বাৰী, বৰডুবি মডেল স্কুল, ফিল'বাৰী হাইস্কুল, গাভৰুভেঁটি হিন্দী হাইস্কুল পৰিচালনা সমিতি, তিনিআলি ব্যৱসায়ী সন্থা, ফিল'বাৰী, বৰ্ণিল একাডেমী, ফিল'বাৰী, ফিল'বাৰী অৰুণোদয় হাইস্কুল আদিৰ উপৰিও অন্যান্য বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানে আইতাৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত চাৰিগৰাকী কন্যা, দুগৰাকী পুত্ৰবধুৰ লগতে নাতি-নাতিনীসহ এক বৃহৎ পৰিয়াল এৰি থৈ যোৱা আইতাৰ মৃত্যুত মন্ত্ৰী ৰূপেশ গোৱালাইও গভীৰ শোক প্ৰকাশ কৰিছে। মন্ত্ৰী গোৱালাই শেষকৃত্য অনুষ্ঠানত উপস্থিত থাকি সংবাদ মাধ্যমৰ আগত আইতাৰ সৈতে কটোৱা স্মৃতি শ্ৰদ্ধাৰে সুঁৱৰি কয়, " আইতা এগৰাকী স্বনামধন্য মহিলা আছিল। আইতা আমাৰ সমষ্টিৰ আছিল। এয়া আমাৰ কাৰণে অতি গৌৰৱৰ কথা। ডুমডুমাবাসীৰ কাৰণে, দেশৰ কাৰণে গৌৰৱৰ বিষয়। তেখেতৰ আত্মাৰ সদগতি কামনা কৰিলোঁ। তেখেতৰ পৰিয়ালবৰ্গলৈ মোৰ সমবেদনা জ্ঞাপন কৰিলোঁ। " উল্লেখ্য যে, গৌৰীপুৰৰ বাসগৃহৰ পৰা ফিল'বাৰী তিনিআলিলৈকে এখন গাড়ীত আইতাৰ নশ্বৰ দেহ লৈ এক পৰিভ্ৰমণ কৰা হয় য'ত আইতাৰ অশেষ গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি জনায়। শ্ৰদ্ধাঞ্জলিৰ অন্তত অজস্ৰ ৰাইজ তথা গুণমুগ্ধ, পৰিয়াল লোক, আত্মীয়ৰ উপস্থিতিত শোকাকুল পৰিৱেশত মুক্তিযোদ্ধা আইতাগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হয়।

# অভাৱ পূৰণ! শদিয়াৰ প্ৰথমটো ধান ক্ৰয় কৰা কেন্দ্ৰ উদ্বোধন

**ই-সংবাদ, ডুমডুমা, ১১ জানুৱাৰীঃ** অসম খাদ্য আৰু অসামৰিক যোগান নিগম (পৰিসীমিত) ৰ উদ্যোগত চপাখোৱাৰ মাৰোৱাৰীপট্টী (পৱন আগৰৱালাৰ দোকান) ত শদিয়াৰ প্ৰথমটো ধান ক্ৰয় কৰা কেন্দ্ৰৰ আজি শুভ উদ্বোধন কৰে শদিয়া সমজিলাৰ আয়ুক্ত মানসজ্যোতি নাথে। এই কেন্দ্ৰৰ জৰিয়তে স্থানীয় কৃষকসকলে প্ৰতি কুইণ্টল ধানৰ বিনিময়ত ২,৩০০ টকা (ন্যূনতম সমৰ্থন মূল্য) কৈ লাভ কৰিবলৈ সক্ষম হ'ব বুলি জানিবলৈ দিয়াৰ লগতে কৃষকসকলৰ সুবিধাৰ্থে এই কেন্দ্ৰত ধান বিক্ৰী কৰাৰ ব্যৱস্থাসমূহৰ সম্পৰ্কে অৱগত কৰে সমজিলা আয়ুক্তগৰাকীয়ে। খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া খণ্ডৰ বিষয়া কিৰণ ৰাজখোৱাই আঁতধৰা উদ্বোধনী অনুষ্ঠানত শদিয়া সমজিলাৰ সহঃ আয়ুক্ত পৰ্চিয়া খনিকৰ, বিধায়কৰ স্থানীয় প্ৰতিনিধি ৰাজেন দিহিঙীয়া, চপাখোৱা পৌৰসভাৰ পৌৰপতি বিচন্দ্ৰাৰতী সোণোৱাল, শদিয়াৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ক্ৰমে অধীক্ষক শুভৰাম লাহনকে ধৰি কেবাগৰাকী ব্যক্তি উপস্থিত থাকে।

# মৰিগাঁৱত 'মাছৰ মূল্য সংযোজন আৰু ইয়াৰ বিপণন' বিষয়ক কৰ্মশালা সম্পন্ন



**ই-সংবাদ, লাহৰীঘাট, ১১ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ দলবাৰীত জিলা কৃষি বিভাগৰ সামূহিক প্ৰশিক্ষণ কেন্দ্ৰত জিলাখনৰ মৎস্য পালকসকলৰ মাজত 'মাছৰ মূল্য সংযোজন আৰু ইয়াৰ বিপণন' বিষয়ক এটি প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। উল্লেখ্য যে ৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত হোৱা প্ৰশিক্ষণৰ আজি সামৰণি পৰে। ৰাজ্যিক কৃষি ব্যৱস্থাপনা আৰু সম্প্ৰসাৰণ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত ৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত হোৱা প্ৰশিক্ষণটোত জিলাখনৰ ৩০ গৰাকী মৎস্য পালক আৰু কৃষক উৎপাদক প্ৰতিষ্ঠানৰ কৃষকসকল উপস্থিত থাকে। মাছৰ বিপণন আৰু মূল্য সংযোজন কৌশলৰ উদ্ভাৱনীমূলক পদ্ধতিৰে জিলাখনৰ স্থানীয় মৎস্য পালকসকলক সবলীকৰণ কৰি তোলা লক্ষ্যৰে অনুষ্ঠিত হোৱা প্ৰশিক্ষণটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰাজ্যিক কৃষি ব্যৱস্থাপনা আৰু সম্প্ৰসাৰণ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সঞ্চালক ৰাজীৱ ভুঞা, মৰিগাঁও জিলা অতিৰিক্ত আয়ুক্ত (কৃষি) অনুসূয়া শৰ্মা, লিংগ সমন্বয়ক পূৰ্ণিমা দাস আৰু জিলা কৃষি বিভাগৰ এপাৰ্ট আঁচনিৰ নডেল বিষয়া মঃ ফাৰুকী উপস্থিত থাকে। মৰিগাঁও জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাই প্ৰশিক্ষণটোৰ আৰম্ভণিতে আঁত ধৰি জিলাখনৰ অৰ্থনীতিত মীনপালনৰ ভূমিকা আৰু বহনক্ষম জীৱিকাৰ বাবে মূল্য সংযোজনৰ ওপৰত গুৰুত্ব আৰোপ কৰি মৎস্য পালকসকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। আনহাতে, মুখ্য অতিথিৰ ভাষণত ৰাজ্যিক কৃষি ব্যৱস্থাপনা আৰু সম্প্ৰসাৰণ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সঞ্চালক ৰাজীৱ ভুঞাই মীনপালনে পুষ্টি আৰু অৰ্থনৈতিক উত্থান দুয়োটা দিশতে অৰিহণা যোগোৱাৰ সম্ভাৱনাৰ ওপৰত আলোকপাত কৰে। তেওঁ অংশগ্ৰহণকাৰীসকলক উদ্ভাৱনীমূলক পদ্ধতি গ্ৰহণ কৰিবলৈ আৰু প্ৰতিযোগিতামূলক বজাৰত নিজৰ নাম উজলাই তুলিবলৈ গুণগত মান আৰু ব্ৰেণ্ডিঙৰ ওপৰত গুৰুত্ব দিবলৈও উৎসাহিত কৰে। মাছৰ মূল্য সংযোজন আৰু ইয়াৰ বিপণন শীৰ্ষক প্ৰশিক্ষণ কাৰ্যসূচীত মীন উন্নয়ন বিষয়া শিখামণি শইকীয়া আৰু হাবিবা জাহানে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি অভিনৱ মাছ বিপণন আৰু মূল্য সংযোজনৰ কৌশলৰ ওপৰত প্ৰশিক্ষণ আগবঢ়ায়। জিলা কৃষি বিভাগৰ চি এছ এছ আত্মাৰ উপ-প্ৰকল্প সঞ্চালক হিৰোমণি দাসৰ পৰিচালনাত অনুষ্ঠিত প্ৰশিক্ষণটোত জিলাখনৰ ৩০ গৰাকী মীনপালক আৰু খুচুৰা বিক্ৰেতাই অংশগ্ৰহণ কৰে। যোৱা ৮ জানুৱাৰীৰ পৰা মৎস্য পালকসকলৰ মাজত অনুষ্ঠিত হোৱা প্ৰশিক্ষণটোত আন আন প্ৰশিক্ষক হিচাপে উপস্থিত থাকি প্ৰশিক্ষণ আগবঢ়ায় মেহদী আৰিফ আলম, ৰাষ্ট্ৰীয় মৎস্য পালকৰ সন্মান লাভ কৰা কৃষক চুমি বৰদলৈয়ে। শেষত কৃষকসকলক যোগাসন প্ৰশিক্ষণ প্ৰদান কৰে হিমাশ্ৰী গোঁহায়ে।

## ভোগালী বিহু উপলক্ষে নগাঁৱত উখল-মাখল পৰিৱেশ

# গ্ৰামাঞ্চলৰ চৌপাশে বিয়পিছে থলুৱা পিঠা-পনাৰ লোভনীয় সুবাস

**ই-সংবাদ, বেবেজীয়া, ১১ জানুৱাৰীঃ** ভোগৰ বৰপেৰাটি লৈ পুনৰ অসমীয়াৰ চোতাল পালেহি বাপতি সাহোন অতি আদৰৰ ভোগালী বিহুটি। চৌদিশে এতিয়া ভোগালী বিহুক আদৰিবলৈ চলিছে পূৰ্ণ প্ৰস্তুতি। জীয়ৰী-বোৱাৰী, ডেকা-বুঢ়া সকলো যেন ব্যস্ত হৈ পৰিছে ভোগালীক আদৰিবলৈ। পাকঘৰৰ পৰা একেবাৰে পথাৰলৈকে সকলোতে এতিয়া বিদ্যমান ভোগালীৰ ছবি। কৃষ্টি আৰু পৰম্পৰাই যেন জীপাল কৰি তুলিছে মানুহৰ মন আৰু কৃষকৰ আপোন পথাৰখনক। যাৰ পৰিণতিত প্ৰতিখন ঘৰতে সৃষ্টি হৈছে উখল-মাখল আনন্দময় পৰিৱেশ। ইয়াৰ ব্যতিক্ৰম হোৱা নাই নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ গ্ৰামাঞ্চলসমূহো। জিলাখনৰ গ্ৰামাঞ্চলবোৰত পুহ মাহৰ ঠেঁটুৰে ধৰা জাৰকো আওকাণ কৰি গঞাৰাইজে বিহুৰ প্ৰস্তুতি তুংগত তোলাত সৰ্বত্ৰে উদ্ভৱ হৈছে উৎসৱমুখৰ পৰিৱেশ। কৃষকসকলে মৰণা চপোৱাৰ অন্তত জহা, বৰা, বোকা ধানেৰে উপচি পৰিছে ভঁৰাল। সেই ধানেৰে কিছুখিনি পুৰুষসকলে মিলত বনাই আনি ভোগালীৰ পিঠা-পনা, জলপান আদি তৈয়াৰৰ কাৰণে গৃহিনীক যতনাই দিছে। উল্লেখ্য, ভোগালীৰ ভোগৰ বাবে উৰুকাত এসাঁজ উদৰ পুৰাই লগে-ভাগে খাবৰ বাবে ব্যস্ত হৈ পৰিছে ধনী-দুখীয়া সকলো পৰিয়াল। ইফালে, গাঁৱৰ জীয়ৰী-বোৱাৰীসকলে বিহু উপলক্ষে ঘৰলৈ আহিবলগীয়া অতিথিক আপ্যায়ন কৰিবৰ নিমিত্তে পুৰাদমে নামি পৰিছে পিঠা-পনা, জলপান, সান্দহ আদি তৈয়াৰৰ কাম-কাজত। কোনোৱে ঘৰতে বা আন কোনোয়ে আকৌ চুবুৰীৰ আন দুই-তিনি গৰাকীৰ সৈতে লগ-লাগি হাঁহি-তামাচাৰে বনাইছে চাউলৰ গুড়িৰে ভাপত দিয়া পিঠা, টেকেলি পিঠা, চুঙা পিঠা, কঁকাল চিচা পিঠা, ঘিলা পিঠা, খলা চাপৰি পিঠা, তিল পিঠা, তেল পিঠা, বৰ পিঠা আদি কৰি নানা তৰহৰ পিঠা, লাড়ু, সান্দহ, পিঠাগুড়িকে ধৰি বিভিন্ন প্ৰকাৰৰ সুস্বাদু খাদ্য-সামগ্ৰী। কাজেই, ভোগালীৰ আগমনক কেন্দ্ৰ কৰিয়েই জীয়ৰী-বোৱাৰীহঁতে ঢেঁকীৰে গৰকি চাউল গুড়ি কৰি হৰেক ৰকমৰ ভোগালীৰ খাদ্য-সামগ্ৰী তৈয়াৰ কৰাৰ কামত দিনে-নিশাই ব্যস্ত হৈ পৰিছে । ইয়াৰ বিপৰীতে গৃহিনীসকলে সম্পূৰ্ণ থলুৱা পদ্ধতিৰে তৈয়াৰ কৰা ভোগালীৰ বিবিধ পিঠা-পনা আৰু জলপানৰ লোভনীয় আমোল-মোল সুৱাসে গ্ৰামাঞ্চলৰ আকাশ-বতাহ বিয়পাই দি সৃষ্টি কৰিছে এটি সুকীয়া পৰিৱেশ। তদুপৰি ম'হৰ এঠা দৈ আৰু কুহিয়াৰৰ গুৰেৰে সান্দহৰ মলমলীয়া গোন্ধৰ লগতে ইয়াৰ সোৱাদ ল'বলৈ যেন ব্যাকুল হৈ পৰিছে সকলো। যাৰ বাবেই সকলোৰে মুখত ফুটি ওলাইছে 'মাঘ যেন আমাৰ ভোগালী মাহ,বিহুৰ পিঠা খাঁও'। মুঠতে এতিয়া ভোগৰ ৰং-তামাচা,আনন্দ-স্ফূৰ্তি সাৰ্বস্ত কৰিবলৈ ৰাজ্যৰ আন আন ঠাইৰ দৰে নগাঁও জিলাৰ গ্ৰামাঞ্চলবোৰতো দেখিবলৈ পোৱা গৈছে কেৱল ভোগালীৰ আনন্দ আৰু উছাহ।

# পশ্চিমবংগলৈ অসমৰ ইটাৰ অবৈধ চালান অব্যাহত, নথি-পত্ৰ বিচাৰিলে আয়ুক্ত কাৰ্যালয়ে

**ই-সংবাদ, গোলকগঞ্জ, ১১ জানুৱাৰীঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তৰে পশ্চিমবংগ লৈ দিনে নিশাই কৰ ফাঁকিৰে অসমৰ ইটা পশ্চিমবংগলৈ সৰবৰাহ কৰা ঘটনাক লৈ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এনেকৈ কৰ ফাঁকি দিয়াৰ বাবে নিতৌ ৰাজকোষে কেইবা লক্ষাধিক টকা হেৰুৱাই আছে। জানিব পৰা মতে, আগমনি গোলকগঞ্জ ৰাইজ চক্ৰ এলেকাত কাঠফুলাৰ দৰে গঢ়ি উঠিছে ইটা ভাটা। একাংশই বিভিন্ন বিভাগৰে গোপন মিতিৰালি কৰি খেতি মাটিক খেতিৰ অনুপযোগী বুলি দেখুৱাই হকে-বিহকে জনবসতিপূৰ্ণ এলেকাত অবৈধ ভাবে ইটা ভাটা স্থাপন কৰিছে। ভাটাসমূহৰ পৰা নিৰ্গত ধোঁৱাই সাধাৰণ ৰাইজৰ জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। তদুপৰি ইটাসমূহ জিএছটি, এছজিএছটি ফাঁকি দি পশ্চিমবংগলৈ চালান হৈ আছে। আগমনিৰ পৰা খেৰবাৰীলৈ গোহাঁই কমল আলী পথটো কৰ ফাঁকি দিয়া বাহনৰ মূলত: কৰিডৰত পৰিণত হৈছে। দিনে-নিশাই বলেৰো পিকআপ ভেনেৰে দৌৰি আছে যদিও আৰক্ষী-প্ৰশাসনে উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰাটো ৰহস্যৰ বিষয় হৈ পৰিছে। যোৱা ২৬ ডিচেম্বৰত আমাৰ কাকতখনত কৰ ফাঁকি সন্দৰ্ভত বাতৰি প্ৰকাশ হোৱাৰ পাছত এতিয়াহে জিলা প্ৰশাসনৰ গা লৰিছে। শুকুৰবাৰে ধুবুৰী জিলা আয়ুক্ত কাৰ্যালয়ে ইটা ভাটাসমূহৰ সকলো তথ্য-পাতি বিচাৰি ভাটাসমূহলৈ পত্ৰ প্ৰেৰণ কৰিছে। ইপিনে ইয়াক অইন এক অভিপ্ৰায় বুলি বহুতে মত প্ৰকাশ কৰিছে। অভিযোগ মতে, বাতৰি প্ৰকাশ হ'লেই বিভাগীয়ভাৱে এনে পত্ৰ প্ৰেৰণ কৰে যদিও বাস্তৱত গৈ সকলো ফুটুকাৰ ফেনত পৰিণত হয়। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে সচেতন মহলে।

# খাৰুপেটীয়াত জমিয়তে আহলে হাদিছৰ অধিৱেশন

**ই-সংবাদ, খাৰুপেটীয়া, ১১ জানুৱাৰীঃ** খাৰুপেটীয়াৰ নিকটৱৰ্তী যোগীপাৰা গাঁৱত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে জমিয়তে আহলে হাদিছৰ দশম বাৰ্ষিক অধিৱেশনৰ বিভিন্ন কাৰ্যসূচী। দৰং জমিয়তৰ উদ্যোগত আৰু যোগীপাৰা মডাৰ্ন ইছলামিক একাডেমীৰ সহযোগত আৰম্ভ হোৱা জমিয়তে আহলে হাদিছৰ দশম বাৰ্ষিক অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী মতে, আজি পুৱাৰে পৰা পতাকা উত্তোলন, ছাফাই অভিযান, বৃক্ষৰোপণ, স্বাস্থ্যৰ যত্ন আৰু কেন্সাৰ প্ৰতিৰোধৰ সজাগতা সভা, গজল, কুইজ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তদুপৰি আবেলি বৰ্তমান সমাজখনত প্ৰচলিত তথা বহুচৰ্চিত বাল্য বিবাহ, ড্ৰাগছ, মদ, জুৱা খেল আদি অসামাজিক কাৰ্যকলাপ বন্ধ কৰাৰ ওপৰত আলোচনাচক্ৰ অনুষ্ঠিত হয়। উল্লেখ্য যে অধিৱেশনৰ প্ৰথম দিনা বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰে ক্ৰমে অসম ৰাজ্যিক জমিয়তে আহলে হাদিছৰ সাধাৰণ সম্পাদক মৌলানা ডঃ নবাব আলী, মৌলানা ডঃ মোখলিছুৰ ৰহমান, অধ্যাপক চাহাব উদ্দিন আহমেদ, অধ্যাপক ডঃ জাকিৰ হুছেইন, শিক্ষয়িত্ৰী আলপনা আহমেদ প্ৰমুখ্যে কেবাজনো বিশিষ্ট ব্যক্তিয়ে।

## সৰুপথাৰ মজলীয়া বিদ্যালয়ত অকণিৰ ‘ভোগালী বজাৰ’

# ভোগালীত ছাত্ৰ-ছাত্ৰীৰ বজাৰ, লাহোৱালত শিক্ষাৰ্থীৰ ব্যতিক্ৰমী পদক্ষেপ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১১ জানুৱাৰীঃ** ৰাজ্যজুৰি মাঘ বিহুক লৈ উৎসাহ-উদ্দীপনা আৰম্ভ হৈছে। পথাৰত মেজি সাজি ভোগৰ এসাজ খাবলৈ প্ৰস্তুতি চলাই থকা পৰিলক্ষিত হৈছে। প্ৰতিঘৰ অসমীয়াই মাঘৰ বিহুৰ উৰুকাৰ বাবে বজাৰ-সামৰ কৰাত ব্যস্ত হৈছে। বজাৰসমূহত নতুন খেতিৰ ফচল আলু, মাটি আলুৰ লগতে হাঁহ, কুকুৰা, পাৰ উভৈনদী হৈ পৰিছে। বহু লোকে ঘৰৰ নতুন ফচল বিক্ৰী কৰিবলৈ বজাৰ ভৰাই পেলোৱাৰ সময়তে উজনি অসমত আজি ব্যতিক্ৰম বজাৰ এখন দেখা গ’ল। এইখন বজাৰত আৱাল, বৃদ্ধ, বণিতাৰ পৰিৱৰ্তে বিক্ৰেতাৰ ৰূপত দেখা গ’ল কণ কণ শিশুক। ভোগালী বিহু উপলক্ষে বহুওৱা এইখন বজাৰত কণ কণ শিশুৱে ঘৰৰ পৰা সামগ্ৰী আনি বিক্ৰী কৰা দেখা গ’ল। অকণিৰ বজাৰ নামত দিয়া এই বজাৰখনত নিজ ঘৰত উৎপাদিত সামগ্ৰী বিক্ৰী কৰা হয়। ঘৰৰ অমিতা, বন্ধা কবি, ওল কবি, বিভিন্ন শাক বিক্ৰী কৰে। কণমানিসকলে বস্তাত বহি ঘৰৰ পৰা অনা সমগ্ৰীসমূহ সন্মুখত লৈ ক্ৰেতাৰ বাবে অপেক্ষা কৰা দেখা যায়। বজাৰত ক্ৰেতাৰ ভৰি পৰাত কণমানিসকলে সামগ্ৰীসমূহ উচিত দামত বিক্ৰী কৰে। আজি ডিব্ৰুগড় জিলাৰ লাহোৱাল শিক্ষাখণ্ডৰ অন্তৰ্গত সৰুপথাৰ মজলীয়া বিদ্যালয়ত অকণিৰ ‘ভোগালী বজাৰ’ বহে। কণ কণ ছাত্ৰ-ছাত্ৰীসকলে ভোগী বিহুৰ বাবে বজাৰখন বহুৱাই। সৰুপথাৰ নিম্ন প্ৰাথমিক বিদ্যালয় আৰু সৰুপথাৰ মজলীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ঘৰতে উৎপাদিত



শাক-পাচলি আৰু ভোগালীৰ বিহুৰ বাবে প্ৰয়োজনীত খাদ্য-সম্ভাৰ বিদ্যালয় প্ৰাংগণৰ মুকলি স্থানত বিক্ৰী কৰে। সৰুপথাৰ প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলে ঘৰত উৎপাদিত সামগ্ৰীৰ বজাৰ চাহিদাৰ সৈতে পৰিচিত কৰিবলৈ অকণিৰ বজাৰ বহুওৱাৰ ব্যৱস্থা কৰে। এই বজাৰৰ জড়িয়তে ছাত্ৰ-ছাত্ৰীসকলে ভোগালীৰ বজাৰত প্ৰয়োজনীত সামগ্ৰী কি সেই কথা অনুধাৱন কৰোৱায়। সমান্তৰালভাৱে বাণিজ্য ক্ষেত্ৰতো ভৱিষ্যতে নিজকে ব্যৱসায় কৰিবলৈ হ’লে ক্ৰেতাৰ সৈতে মোকাবিলা কৰাত সহায়ক হ’বৰ বাবে অকণিৰ বজাৰ বহুৱাই। আজি অকণিৰ ভোগালী বজাৰখন ৰাইজৰ দৃষ্টি আকৰ্ণ কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ থলুৱা খাদ্য কিনিবলৈ স্থানীয় ৰাইজে বজাৰখনত ভিৰ কৰা পৰিলক্ষিত হয়।

# বাক্সা জিলা বিজেপিৰ নতুন সভাপতি দীনেশ বসুক দায়িত্ব অৰ্পণ



**ই-সংবাদ, মুছলপুৰ, ১১ জানুৱাৰীঃ** আজি বাক্সা জিলা ভাৰতীয় জনতা পাৰ্টিৰ মুছলপুৰস্থিত জিলা বিজেপি কাৰ্যালয়ত নতুন সভাপতিক দায়িত্ব অৰ্পণাৰ্থে এখন সভা অনুষ্ঠিত হয়। বাক্সা জিলা বিজেপিৰ সদ্য প্ৰাক্তন সভাপতি শৰৎ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ, বিটিচিৰ কাৰ্যবাহী সদস্য গৌতম দাস, জিলা ৰিটাৰ্ণিং বিষয়া দীনেশ মহন্ত, আহ্বান জনায়। ৰাজ্যিক বিজেপিৰ উপ-সভানেত্ৰী ৰেখাৰাণী দাস বড়ো, মুখপাত্ৰ কল্যাণ গগৈ, সহঃ প্ৰভাৰী নীলিমা ব্ৰহ্ম, ৰাজ্যিক অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ উপ-সভানেত্ৰী ভনিতা মেধিৰ উপস্থিতিত দীনেশ বসুক বাক্সা জিলা বিজেপিৰ নতুন সভাপতি হিচাপে দায়িত্ব অৰ্পণ কৰা হয়। সভাত বাক্সা জিলা বিজেপিৰ বিভিন্ন মৰ্চা, বুথ সমিতি ইত্যাদিয়েও নতুন সভাপতিগৰাকীক ফুলাম গামোচা, আৰ’নাই ইত্যাদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। জিলা বিজেপিৰ সদ্য প্ৰাক্তন সাধাৰণ সম্পাদক ৰিদীপ কুমাৰ ডেকাই আঁত ধৰা উক্ত সভাত বাক্সা জিলা ভাৰতীয় জনতা যুৱ মৰ্চাৰ সভাপতি সুভাষ ভট্টৰায়, সাধাৰণ সম্পাদক মানস প্ৰতীম কলিতা, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্যসকল, জিলাৰ বিভিন্ন মৰ্চাৰ বিষয়ববীয়া, মণ্ডলৰ বিষয়ববীয়া আৰু ছয় শতাধিক কাৰ্যকৰ্তা উপস্থিত থাকে। ইয়াৰ পূৰ্বে নতুন সভাপতি দীনেশ বসুক ক’কলাবাৰী মণ্ডল বিজেপিয়ে জালাহৰ পৰা বাইক সমদল কৰি মুছলপুৰলৈ আনে। মুছলপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণৰ পৰা পুনৰ তেওঁক ছয় শতাধিক কাৰ্যকৰ্তাই পদযাত্ৰা কৰি জিলা কাৰ্যালয়লৈ লৈ যায়। দায়িত্ব গ্ৰহণৰ পিছতে বাক্সা জিলা বিজেপিৰ নতুন সভাপতি দীনেশ বসুৱে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাক ধন্যবাদ জ্ঞাপন কৰি সকলো শ্ৰেণীৰ দলীয় কাৰ্যকৰ্তাৰ সহযোগত জিলাখনত ভাৰতীয় জনতা পাৰ্টিৰ হৈ কাম কৰিব বুলি মন্তব্য কৰে। তেওঁ সকলো কাৰ্যকৰ্তাক ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নীতি-আদৰ্শ মানি ৰাষ্ট্ৰ নিৰ্মাণৰ কামত ব্ৰতী হ’বলৈ

# দিল্লী পাব্লিক স্কুল, যোৰহাটত প্ৰাক্-মাঘ বিহু, মকৰ সংক্ৰান্তি পালন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১১ জানুৱাৰীঃ** যোৰহাট পশ্চিম অঞ্চলস্থিত দিল্লী পাব্লিক স্কুলত ১১ জানুৱাৰীত প্ৰাক্-মাঘ বিহুৰ লগতে মকৰ সংক্ৰান্তি পালন কৰা হয়। এল কে জি-ৰ পৰা দ্বাদশ শ্ৰেণীলৈকে স্কুলখনত অধ্যয়নৰত ৮০০ গৰাকী শিক্ষাৰ্থীয়ে অসমীয়াৰ ভোগালী বিহুত জলপান হিচাপে ব্যৱহাৰ কৰা বিভিন্ন লাডু, পিঠা-পনা, সান্দহ, গুড়, হুৰুম, দৈ, ক্ৰীম, গুৰ, বিভিন্ন দাইল, চাউল, আলু আদিৰ উপৰি পৌৰাণিক কাঁহ-পিতলৰ বাচন-বৰ্তন প্ৰদৰ্শন কৰাৰ লগতে খেৰৰ মেজি, পাত মেজি, কাঠৰ মেজি আৰু ভেলাঘৰ সাজি উলিয়ায়। শিক্ষাৰ্থীসকলে আঁত ধৰা অনুষ্ঠানত স্কুলখনৰ অধ্যক্ষা মনালিছা বৰঠাকুৰ সিঙে বিদ্যালয়খনত অধ্যয়নৰত বিভিন্ন জাতি-জনগোষ্ঠীৰ শিক্ষাৰ্থীসকলক অসমীয়াৰ বিহু, বিশেষকৈ মাঘ বিহু পালনৰ সম্পৰ্কে প্ৰত্যক্ষ কৰোঁৱাৰ লগতে ভাৰতবৰ্ষৰ ৰাজ্যসমূহত পালন কৰা মকৰ সংক্ৰান্তিত ৰূপায়ণ কৰা কাৰ্যও প্ৰত্যক্ষ কৰোঁৱাই অনুষ্ঠানৰ আয়োজন কৰা বুলি কয়। স্কুলখনৰ অধ্যক্ষাৰ লগতে বিশিষ্ট অতিথি মল্লিকা জৈনক মাঘ বিহুত ব্যৱহাৰ কৰা খাদ্য-সামগ্ৰীৰ একোটাকৈ টোপোলা শিক্ষাৰ্থীসকলে আনুষ্ঠানিকভাৱে প্ৰদান কৰাৰ পাছতে দলীয়ভাৱে অসমৰ বিহু, মহাৰাষ্ট্ৰৰ পংগল, ৰাজস্থান, গুজৰাট, পাঞ্জাবৰ লগতে দেশৰ বিভিন্ন ৰাজ্য আৰু অসমৰ বড়ো, কছাৰী, ৰাভা, কাৰ্বি, তিৱা, মিচিং, দেউৰী, নেপালী, চাহ জনগোষ্ঠী আদিৰ নৃত্য প্ৰদৰ্শন কৰে। তদুপৰি, ভোগালী বিহুত অত্যধিক ভোজন কৰাৰ বাবে মানৱৰ শৰীৰত হ’বলগীয়া সমস্যা আৰু প্ৰতিকাৰৰ বাবে নৰকান্ত বৰুৱাৰ লঘোণ কবিতাৰ আধাৰত নাটক, সংস্কৃতি সমাজৰ দাপোণ শীৰ্ষক বিষয়ৰ নাটকৰ জৰিয়তে অত্যধিক ম’বাইল ব্যৱহাৰ আৰু পশ্চিমীয়া সংস্কৃতিৰ গ্ৰাসত অসমীয়া সংস্কৃতিৰ প্ৰতি অনীহা আৰু তাৰ সমাধানৰ বাবে শিক্ষাৰ্থীসকলে উপস্থিত অভিভাৱক আৰু শুভাকাংক্ষীসকলক সকীয়াই দিয়ে। অধ্যক্ষা মনালিছা বৰঠাকুৰ সিং আৰু বিশিষ্ট অতিথি মল্লিকা জৈনে একোগছিকৈ বন্তি খেৰৰ মেজি, কাঠৰ মেজিৰ সমীপত জ্বলাই দুয়োটা মেজি একে সময়তে প্ৰজ্বলন কৰে। তাৰ পাছতে ধৰ্মীয় পৰম্পৰাৰে আধ্যাত্মিক পৰিৱেশত মাহ-প্ৰসাদ সকলোকে প্ৰদান কৰা হয়। ইয়াৰ পিছত শিক্ষাৰ্থীসকলে আধুনিক গীত পৰিৱেশন কৰে। উল্লেখ্য যে, সৰুচৰাই চেঙেলীআটি পথৰ কাষত প্ৰাকৃতিক পৰিৱেশত ২০১৭ চনৰ মাৰ্চ মাহত প্ৰতিষ্ঠা কৰা স্কুলখনত যোৰহাট জিলাৰ উপৰি গোলাঘাট, শিৱসাগৰ আদিৰ মুঠ ৮০০ শিক্ষাৰ্থীক অধ্যক্ষ প্ৰমুখ্যে ৭৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে জ্ঞান দান কৰি আছে। ৭০ গৰাকীৰো অধিক কৰ্মচাৰী-সহায়কৰ উপৰি প্ৰশাসনিক বিষয়াসকলে স্কুলখন পৰিচালনা কৰি আছে।

## গুণোৎসৱত মূল্যায়নৰ বাবে ধন দাবীৰ অভিযোগক লৈ সৰৱ চৰ্চা

# বাঘমাৰা চৰ উঃমাঃ বিদ্যালয়ৰ বিৰুদ্ধে উত্থাপিত অভিযোগ নস্যাৎ

**ই-সংবাদ, শিমলীতোলা, ১১ জানুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা ৭ জানুৱাৰীত গুণোৎসৱত বহিঃমূল্যায়কৰ ধন দাবীৰ ঘটনা পোহৰলৈ আহিছে। উল্লেখ্য যে বিচৰা ধন নাপাই বহিঃমূল্যায়ক বৰনগৰ মহাবিদ্যালয় অধ্যাপক ডঃ হাবিব ফজলুল বাছিদে প্ৰথমৰ পৰাই বিদ্যালয়ৰ শিক্ষক এজনক ননছেন্স, অভদ্ৰ ইত্যাদি বিভিন্ন সভ্য সমাজক লজ্জানত কৰা অকথ্য ভাষা প্ৰয়োগ কৰি বিদ্যালয় চৌহদৰ পৰা ওলাই যাবলৈ কোৱাত কিছু কথাৰ কটা কটি হয় যদিও প্ৰধান শিক্ষক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ তৎপৰতাত লগে লগে পৰিৱেশ শান্ত কৰি গুণোৎসৱৰ কাম চলাই লৈ যোৱৰ মাজতে আক্ৰোশমূলকভাৱে যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অ'এমআৰ উত্তৰ বহীত ডাবলকৈ ৰাউণ্ড মোছি দিয়াত ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত অন্ধকাৰলৈ ঠেলি দিয়াৰ কথা প্ৰধান শিক্ষকজনে সদৰি কৰে। গুণোৎসৱৰ কাম শেষ হোৱাত ছাত্ৰ-ছাত্ৰী বেছি থকাত কিছু পলম হয় যদিও শেষত তিনিজন বহিঃমূল্যায়কৰ ভিতৰত ডঃ হাবিব ফজলুল বাছিদৰে বিদ্যালয়ৰ এজন শিক্ষকৰে হোৱা বাক বিতণ্ডাৰ কথাকলৈ পৰিচালনা সমিতিৰে মীমাংসা কৰি ভুল বুজা বুজিৰ অন্ত পেলাই ঘৰা ঘৰি হোৱাৰ কথা প্ৰধান শিক্ষকজনে প্ৰকাশ কৰে। যোৱা ৭ তাৰিখত হৈ যোৱা ঘটনাৰ আলম লৈ ১০ তাৰিখে ছ'চিয়েল মিডিয়াত বাঘমাৰা চৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গুণোৎসৱত বাহিৰা মানুহৰ সমাবেশত বাধা দিয়াত আৰু শিক্ষকসকলে সকলো উত্তৰ শুদ্ধ কৰি দিয়াত আপত্তি কৰাত বহিঃমূল্যায়কগৰাকীক আবদ্ধ কৰি ৰাখি মাৰিবলৈ উদ্যেত হোৱাত আলোপতি চৰ আৰক্ষী থানাৰ আৰক্ষী আহি উদ্ধাৰ কৰি লৈ যোৱা অভিযোগক বিদ্যালয়খনৰ প্ৰধান শিক্ষক খলিলুৰ ৰহমানে নস্যাৎ কৰি সকলো অভিযোগ মিছা আৰু ভিত্তিহীন বুলি দাবী কৰি কয় যে ধনৰ লেনদেনৰ জৰিয়তে ভাল ফলাফল আনি দিয়াৰ প্ৰস্তাৱ নাকচ কৰাৰ ফলত বাঘমাৰা চৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ষতি কৰাৰ উদ্দেশ্যে গুণ গৰিমা নষ্ট কৰিবলৈ পৰিকল্পিতভাৱে এনে মনে সজা ঘটনা সংঘটিত কৰিছে। তেওঁ লগতে কয় যে যদি সঁচাকৈয়ে অভিযোগ কৰাৰ দৰে ঘটনা সংঘটিত হৈছিল তেতিয়া হ'লে ৭ তাৰিখতে সংবাদ মেল পাতি ক'ব লাগিছিল, ঘটনাৰ তিনিদিন পিছত কিয় ক'ব লগা হ'ল বুলি প্ৰশ্ন কৰে। তেওঁ আৰু কয় যে তিনিজন বহিঃ মূল্যায়কৰ ভিতৰত এজনৰ লগতহে এনে ঘটনা সংঘটিত হৈছিল নেকি? বাকি দুজনৰ কোনো অভিযোগ নাই, এজনেই কিয় ক'ব লগা হ'ল বুলি কোৱাৰ লগতে আলোপতি চৰ আৰক্ষী চকীৰ আৰক্ষী বিষয়া আহি আবদ্ধ কৰা অৱস্থাত উদ্ধাৰ কৰা কথা আৰক্ষী বিষয়াগৰাকীক সুধিলে সকলো কথা ওলাই পৰিব বুলি কয়। গুণোৎসৱত বহিঃ মূল্যায়ক হিচাপে নিযুক্তি দিয়া অধ্যাপকৰ বিৰুদ্ধে উত্থাপিত অভিযোগে অসম চৰকাৰৰ স্বচ্ছ আৰু নিকাভাৱে উৎযাপন কৰা গুণোৎসৱৰ ওপৰত প্ৰশ্ন উত্থাপন হোৱাৰ লগতে চৰকাৰ তথা শিক্ষা বিভাগৰ গৰিমাত যে কালিমা সানিব সেয়া নিশ্চিত। এনে শালীনতা নথকা বহিঃমূল্যায়কে এখন শিক্ষা অনুষ্ঠানৰ গৰিমা নষ্ট কৰাৰ লগতে শিক্ষকৰ ওপৰত উত্থাপিত ভিত্তিহীন অভিযোগকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অসমৰ শিক্ষা মন্ত্ৰীক বিদ্যালয়খনৰ প্ৰধান শিক্ষক, স্থানীয় ৰাইজৰ লগতে বিদ্যালয় পৰিচালনা সমিতিয়ে দাবী জনাইছে।

# লাহোৱালত ডিব্ৰুগড় পৰিবহণ বিভাগৰ পথ সুৰক্ষা সজাগতা সভা

**ই-সংবাদ, ডিব্ৰুগড়, ১১ জানুৱাৰীঃ** ভাৰত চৰকাৰৰ পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ দ্বাৰা ঘোষিত 'ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহ-২০২৫' কাৰ্যসূচীৰ অধীনত ডিব্ৰুগড় জিলা পৰিবহণ বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড়-মোহনবাৰী পথত চলা তিনিচকীয়া বাহন মালিক সন্থাৰ সহযোগত এক পথ সুৰক্ষা সজাগতা সভা অনুষ্ঠিত হয়। সংগঠনটোৰ অধীনস্থ সদস্য তথা অৰ্ধ শতাধিক মালিক-চালকৰ উপস্থিতিত অনুষ্ঠিত উক্ত সজাগতা সভাত ভাষণ প্ৰদান কৰি জিলা পৰিবহণ বিষয়া হীৰকজ্যোতি ডেকাই কয় যে যান-বাহনৰ চালক সকলে নিজৰ দায়িত্বশীলতাৰ পৰিচয় দি গাড়ী চালনা কৰা উচিত। ইয়াৰ জৰিয়তে নিজেও সুৰক্ষিত হোৱাৰ লগতে যাত্ৰীও সুৰক্ষিত হয়। পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা বৃদ্ধি হৈ অহাৰ প্ৰতি লক্ষ্য ৰাখি পঞ্চসূত্ৰ মানি চলিবলৈ আহ্বান জনাই তেওঁ কয় যে এতিয়াৰে পৰা মাদক দ্ৰব্য সেৱন কৰি গাড়ী চলাই যদিহে দুৰ্ঘটনা সংঘটিত কৰে তেনে চালকৰ 'অনুজ্ঞাপত্ৰ' বাতিল কৰা হ'ব। সভাত অতিথি হিচাপে উপস্থিত থাকি পথ সুৰক্ষা কৰ্মী, জিলা পথ সুৰক্ষা সমিতিৰ সদস্য তথা জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে লোকসভাত প্ৰদান কৰা তথ্যৰ উদ্ধৃতিৰে কয় যে দেশত বিগত ২০১৬-২০২২ বৰ্ষত পথ দুৰ্ঘটনাত মুঠ ১৫ লাখ ২ হেজাৰ ৪১৬ গৰাকী লোকৰ মৃত্যু হৈছে। সেইদৰে বিগত দহ বছৰত অসমত ২৭ হেজাৰ ৫৪৮ গৰাকী লোকৰ মৃত্যু হৈছে। অসমত এই হাৰ হ্ৰাস কৰিবৰ বাবে সকলোৰে দায়িত্ব আছে। এইক্ষেত্ৰত বিশেষকৈ যান-বাহনৰ চালকসকলে সজাগ হোৱাৰ আহ্বান জনাই তেওঁ কয় যে দ্ৰুত গতিত যান-বাহন চলোৱা, হেলমেট নিপিন্ধা, চিটবেল্ট নমৰা, সুৰাপান কৰি গাড়ী চলোৱা আৰু যান-বাহন চলাই থকা অৱস্থাত ম'বাইল ফোনৰ ব্যৱহাৰ কৰা এই 'পঞ্চসূত্ৰ' মানি চলিলেই নব্বৈ শতাংশ পথ দুৰ্ঘটনাৰ পৰা বাচিব পৰা যায়। আনহাতে জিলা পৰিবহণ বিভাগৰ যান-বাহন পৰিদৰ্শক ধনঞ্জয় শইকীয়াই অসমত বিগত ২০২৩ বৰ্ষৰ তুলনাত ২০২৪ বৰ্ষত পথ দুৰ্ঘটনা হ্ৰাস হোৱা বুলি উল্লেখ কৰি ভাষণত কয় যে কোনো শাস্তি বা জৰিমণাই পথ দুৰ্ঘটনা হ্ৰাস কৰিব নোৱাৰে। ইয়াৰ বাবে সকলো চালক সচেতন হ'ব লাগিব আৰু আনকো সচেতন কৰি তুলিব লাগিব। সভাখনিৰ আঁতধৰে সন্থাৰ সৌন্দৰ্য গগৈয়ে।সভাত জিলা পৰিবহণ কাৰ্যালয়ৰ মুখ্য সহায়ক, এনফ'ৰ্চমেন্ট বিষয়া আৰু আয়োজক সংগঠনটোৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# টাই পুথিৰ সংৰক্ষণক লৈ ডিব্ৰুগড়ৰ নামফাকে গাঁৱত ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা

**ই-সংবাদ, ডিব্ৰুগড়, ১১ জানুৱাৰীঃ** নাহৰকটীয়াৰ ঐতিহ্যমণ্ডিত নামফাকে গাঁৱৰ বৌদ্ধ বিহাৰত সংৰক্ষিত হৈথকা শতিকা পুৰণি প্ৰাচীন আৰু থলুৱাভাৱে প্ৰস্তুত কৰা কাগজত লিখা টাই ভাষাৰ পাণ্ডুলিপিসমূহৰ পঢ়ন,লিখন আৰু সংৰক্ষণ বিষয়ক ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা ১০ জানুৱাৰীৰ পৰা আৰম্ভ হয়। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ উদ্যোগত আৰু টাইফাকে ভাষা অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ সহযোগত কৰ্মশালাখনি অনুষ্ঠিত হয় নামফাকে বৌদ্ধ বিহাৰৰ সংগ্ৰহালয় কক্ষত। আৰম্ভণি অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যাকৰে বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ ভাৰপ্ৰাপ্ত সঞ্চালক ডঃ সংগীতা গগৈয়ে। তেওঁ অসমৰ বিভিন্ন বৌদ্ধবিহাৰত সংৰক্ষিত হৈ থকা বৌদ্ধ সাহিত্য তথা প্ৰাচীন টাই ভাষাৰ পুথিবোৰৰ সংৰক্ষণৰ বাবে বিভাগেপদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। এই প্ৰচেষ্টা আগলৈ অব্যাহত থাকিব বুলি তেওঁ জানিবলৈ দিয়ে।অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। তেওঁ প্ৰাচীন পাণ্ডু লিপিসমূহ মানৱ সমাজৰ সভ্যতা, জ্ঞান, চিন্তা-চেতনাৰ স্ৰোত বুলি অভিহিত কৰে। বিষয়বিশেষজ্ঞ তথা অতিথি হিচাপে অংশগ্ৰহণ কৰে নতুন দিল্লীস্থিত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা অধ্যয়ন কেন্দ্ৰৰঅধ্যাপক তথা বিভাগীয় মুৰব্বী ডঃ অচল পাণ্ডিয়াই। তেওঁ কৰ্মশালাৰ যোগেদি অংশগ্ৰহণকাৰী সকলে প্ৰাচীন পুথিসমূহৰ বৈজ্ঞানিক সংৰক্ষণৰ নানান দিশ শিকি কাৰ্যক্ষেত্ৰত আগবাঢ়িবলৈ আহ্বান জনায়। এনে প্ৰচেষ্টাৰ যোগেদি প্ৰাচীন গ্ৰন্থসমূহৰ আয়ুস কেইবা শতিকালৈ বঢ়াই নিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে।প্ৰাচীন পাণ্ডু লিপিসমূহ সংৰক্ষণৰ ক্ষেত্ৰত আই.জি.এন.চি.এ য়ে সদায় সহায়ৰ হাত আগবঢ়াই যাব বুলিকয় আৰু নামফাকে বৌদ্ধ বিহাৰ পুথিভঁৰালত তিনিশতাধিক বিষয়ৰ পাণ্ডুলিপি সংৰক্ষিত হৈ থকা কথাটোৰেতেওঁক আচৰিত আৰু উৎসাহিত কৰিছে বুলি জানিবলৈ দিয়ে। ভৱিষ্যতেও পুথিভঁৰালটোৰ পুথিবোৰৰস্থায়ী সংৰক্ষণৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰিব বুলি তেওঁ আশা ব্যক্ত কৰে। উদ্বোধনী অনুষ্ঠানত অসম তথা অৰুণাচলৰ ভিক্ষুসকলৰ 'সংঘনায়ক' ইতিকা মহাথেৰ' আৰু নামফাকে বৌদ্ধ বিহাৰৰ অধ্যক্ষ তথা সদৌ অসম বৌদ্ধ বিহাৰৰ সভাপতি জ্ঞানপাল মহাথেও উপস্থিত থাকি ব্যক্তব্য ৰাখে। তিনিদিনীয়াকৈ অনুষ্ঠিত কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে 'আই.জি.এন.চি.এ'ৰ সহকাৰী অধ্যাপক ডঃ সত্যেন্দ্ৰকুমাৰ,'আই.জি.এন.চি.এ'ৰ প্ৰকল্প সমন্বয়ক জীতেন্দ্ৰ চৌহান, প্ৰণৱ চক্ৰৱৰ্তী। তেওঁলোকে প্ৰাচীন আৰু উঁৱলি যোৱা পুথিসমূহ কিদৰে অধিক নষ্ট হোৱাৰপৰা স্থায়ীভাৱে ৰক্ষা কৰিবপৰা যায়, ফাটি যোৱা পৃষ্ঠাবোৰ কিদৰে জোৰা লগাই পূৰ্বৰ অৱস্থালৈ আনিব পৰা যায় সেই বিষয়ে প্ৰায়োগিক প্ৰশিক্ষণ প্ৰদান কৰে। কৰ্মশালাত নাহৰকটীয়া মহাবিদ্যালয়ৰ লগতে ডিব্ৰুগড়ৰ বহু কেইখন মহাবিদ্যালয়ৰ লাইব্ৰেৰিয়ান আৰু শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে

# খাৰুপেটীয়াত এগৰাকী প্ৰাক্তন ছাত্ৰৰ মহানুভৱতা



**ই-সংবাদ, খাৰুপেটীয়া, ১১ জানুৱাৰীঃ** দৰঙৰ খাৰুপেটীয়াত এগৰাকী প্ৰাক্তন ছাত্ৰৰ মহানুভৱতা। ছাত্ৰগৰাকীয়ে নিজে অধ্যয়ন কৰা খাৰুপেটীয়া আজমল ছিনিয়ৰ ছেকেণ্ডেৰী স্কুললৈ আগবঢ়ালে কাৰ্যালয়ত বহাৰ মূল্যৱান সামগ্ৰী ছফাছেট। দৰং জিলাৰ বেচিমাৰীৰ নুৰ ছালাম আলী নামৰ প্ৰাক্তন ছাত্ৰজনৰ মহানুভৱতাৰ প্ৰতি সন্মান জনাই আজি আজমল ফাউণ্ডেচনৰ হৈ খাৰুপেটীয়া আজমল ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অধ্যক্ষ দেলোৱাৰ হুছেইনে ছাত্ৰ জনক ফুলাম গামোচা আৰু এখন সম্বৰ্ধনা পত্ৰ আগবঢ়ায়। প্ৰাক্তন ছাত্ৰজনেও আজমল ফাউণ্ডেচন তথা আজমল পৰিয়ালক কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে ২০২১ বৰ্ষত বিদ্যালয়খনৰ পৰা এৰি যোৱা ছাত্ৰগৰাকী বৰ্তমান এগৰাকী যুৱ ব্যৱসায়ী। অন্যান্য স্কুল প্ৰতিষ্ঠানতো সহায় কৰাৰ মন আছে যুৱ ব্যৱসায়ীজনৰ। ইফালে, সদায় দুখীয়া দৰিদ্ৰক সহায়-সহযোগিতা আগবঢ়াই অহা আজমল ফাউণ্ডেচনৰ তৰফৰ পৰা বিদ্যালয়খনৰ অধ্যক্ষ আৰু শিক্ষকসকলৰ উপস্থিতিত বিদ্যালয়ৰ দৰিদ্ৰ পৰিয়ালৰ বিদ্যাৰ্থীৰ মাজত শীতকালীন বস্ত্ৰ বিতৰণ কৰে। উল্লেখ্য যে বিদ্যালয়ৰ অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়া মতে, নৱবৰ্ষ ২০২৫ৰ প্ৰথমটো দিনতো পথৰ অঘৰী আৰু দৰিদ্ৰ লোকৰ মাজত ছাত্ৰৰ শিক্ষণীয় নিদৰ্শন হিচাপে ছাত্ৰৰ দ্বাৰাই শীতকালীন বস্ত্ৰ কম্বল বিতৰণ কৰে।

# জাগীৰোডৰ ডোঙাবড়ী উঃ মাঃ বিদ্যালয় আৰু জাগীৰোড শংকৰদেৱ বিদ্যা নিকেতনত বহিল বজাৰ

**ই সংবাদ, জাগীৰোড, ১১জানুৱাৰী:**-সমাগত ভোগৰ উৎসৱ ভোগালী বিহু । ভোগালী বিহুৰ প্ৰাকক্ষণত বিভিন্ন সুস্বাদু ভোগৰ সামগ্ৰীৰে জাগীৰোডত বহিল দুখন বিশেষ বজাৰ । য'ত বিক্ৰেতাৰ ৰূপত দেখা গ'ল কন কন ছাত্ৰ-ছাত্ৰীক । হয়, ভোগালী বিহুৰ প্ৰাকক্ষণত ডোঙাবড়ী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু জাগীৰোড শঙ্কৰদেৱ বিদ্যা নিকেতনে আয়োজন কৰা শিশু মেলাত বিভিন্ন সামগ্ৰীৰ বিক্ৰেতা হিছাপে অংশ ল'লে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে। লাডু, পিঠা, সান্দহ আদিৰ লগতে ছাত্ৰ-ছাত্ৰী সকলে বজাৰখনলৈ আনিছে নিজ উৎপাদিত শাকপাচলিও। বিশেষকৈ বজাৰৰ সৈতে ছাত্ৰ-ছাত্ৰী সকলক পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰিছে বিদ্যালয় পৰিচালনা সমিতিয়ে । তাৰোপৰি ডোঙাবড়ী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জীৱন জেউতী কৃষক সংঘৰ উদ্যোগত ভেলাঘৰ আৰু মেজি সজা প্ৰতিযোগিতা অনুষ্ঠিত কৰে। বিশেষকৈ পূৰ্বৰ সেই ভেলাঘৰ আৰু মেজিক বৰ্তমান প্ৰজন্মক চিনাকি কৰাই দিয়াৰ উদ্দেশ্যে এই প্ৰতিযোগিতা অনুষ্ঠিত কৰে। বৰ্তমান কিছু কিছু ঠাইত প্ৰতিযোগিতাৰ নামত



বিকৃত ৰূপত ভেলাঘৰক উপস্থাপন কৰাক লৈ কৃষক নেতা তুলসী ডেকা সৰৱ হৈ পৰে। তেওঁ যিসকলে প্ৰতিযোগিতাৰ নামত ভেলাঘৰক বিকৃত ৰূপত উপস্থাপন সেইসকলক গৰিহণা দিয়ে । আৰু কয় যে ,এনে ভুল ভৱিষ্যতে নকৰিব, নহলে ভৱিষ্যত প্ৰজন্মৰ লগতে প্ৰবাসী অসমীয়াসকলে প্ৰতিযোগিতাৰ নামত নিৰ্মাণ কৰা এইসমূহ বিভিন্ন আৰ্হিৰ ভেলাঘৰকে প্ৰকৃত ভেলাঘৰ বুলি ভাবিব আৰু তাৰ ফলত আমাৰ কৃষ্টি সংস্কৃতি বিকৃত হ'ব।

# বাঘজান দীঘলটৰং হাইস্কুলৰ শিক্ষক কমল চন্দ্ৰ বৰুৱাৰ দেহাৱসান

**ই-সংবাদ, ডুমডুমা, ১১ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ বাঘজান-দীঘলটৰং উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কমল চন্দ্ৰ বৰুৱা (সৌৰজিত)ৰ শুকুৰবাৰে পুৱতি নিশা প্ৰায় ১.৩০ বজাত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত হৃদযন্ত্ৰ ক্ৰিয়া বন্ধ হৈ ৫৪ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে, ১৯৯৩ চনৰ ৫ মে'ত দীঘলটৰং প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষক ৰূপে কৰ্মজীৱনৰ পাতনি মেলা কমল চন্দ্ৰ বৰুৱাই পিছলৈ প্ৰধান শিক্ষকলৈ পদোন্নতি হয়। শেহতীয়াকৈ বিদ্যালয় একত্ৰীকৰণৰ ফলত দীঘলটৰং প্ৰাথমিক বিদ্যালয়খন বাঘজান-দীঘলটৰং উচ্চ মাধ্যমিক বিদ্যালয়ৰ লগত চামিল হোৱাত উক্ত বিদ্যালয়খনৰ শিক্ষক হিচাপে কৰ্মৰত হৈ আছিল কমল চন্দ্ৰ বৰুৱা। কমল চন্দ্ৰ বৰুৱাৰ মৃত্যুত বৃহত্তৰ বাঘজান অঞ্চলত শোকৰ ছাঁ পৰিছে। শিক্ষক বৰুৱাই মৃত্যুৰ সময়ত পত্নীসহ দুই পুত্ৰ সন্তান আৰু পৰিয়াল ইহসংসাৰত এৰি থৈ যায়।

# অসম নাট্য সন্মিলনৰ কামপীঠ মণ্ডলৰ ত্ৰয়োদশ বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, বেবেজীয়া, ১১ জানুৱাৰীঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত মাজগাঁও নিবাসী বিশিষ্ট শিল্পী, সাহিত্যিক, কবি তথা অৱসৰী শিক্ষয়িত্ৰী মীনা শইকীয়াক অসম নাট্য সন্মিলনে বিশেষভাৱে সম্বৰ্ধনা জনায়। আচলতে, সুদীৰ্ঘ কাল ধৰি পবিত্ৰ শিক্ষাবৃত্তিৰ লগতে সাহিত্য আৰু সাংস্কৃতিক ক্ষেত্ৰখনত একাত্মভাৱে জড়িত থাকি সমাজলৈ আগবঢ়োৱা উল্লেখনীয় অৱদানৰ স্বীকৃতি স্বৰূপে মীনা শইকীয়াক এইদৰে সম্বৰ্ধিত কৰা হয়। জিলাখনৰ ধিঙত শনিবাৰে সামৰণি পৰা অসম নাট্য সন্মিলনৰ ত্ৰয়োদশ বাৰ্ষিক কামপীঠ মণ্ডলৰ মধ্যকালীন অধিৱেশনত মীনা শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত সম্বৰ্ধনা গ্ৰহন কৰি মীনা শইকীয়াই পৰম সন্তুষ্টি লভাৰ কথা ব্যক্তি কৰি এনে সন্মানে সমাজৰ হকে সেৱা আগবঢ়োৱাত প্ৰেৰণা যোগাই বুলি মন্তব্য কৰে । উল্লেখ্য, ইতিমধ্যে অসম সাহিত্য সভাৰ 'প্ৰেৰণা বঁটা', 'সাধনা বঁটা', মহাৰাষ্ট্ৰৰ কুলহাপুৰৰ আৱিষ্কাৰ ছ'চিয়েল এণ্ড এডুকেছনেল ফাউণ্ডেছনৰ 'শ্ৰেষ্ঠ শিক্ষক বঁটা-২০১৯', ডিভাইন হেণ্ড ৱেলফেয়াৰ অৰ্গেনাইজেছনৰ 'কৃতী শিক্ষয়িত্ৰী বঁটা', সমতা সাহিত্য একাডেমীয়ৰ সোনৰ মেডেলসহ 'ৰবীন্দ্ৰনাথ ঠাকুৰ বঁটা', 'ভীমৰাও আম্বেদকাৰ এৱাৰ্ড', 'ৰাষ্ট্ৰীয় স্তৰীয় শিক্ষণ সেৱা গৌৰৱ এৱাৰ্ড', 'লোক সংগীত শিল্পী এৱাৰ্ড', 'কাব্য আৰু সম্প্ৰতি বঁটা'ৰ উপৰিও ২০১৫ চনত ডুবাইৰ অসম সমাজে এক অনুষ্ঠানত বিশেষভাৱে সন্মান জনোৱাৰ লগতে বহু অনুষ্ঠানৰ দ্বাৰা সন্মানিত হোৱা মীনা শইকীয়াই ২০১৪ চনত শিক্ষকতা বৃত্তিৰ পৰা অৱসৰ গ্ৰহণ কৰে। শিক্ষাদানৰ সমান্তৰালভাৱে সংগীত, কাব্য তথা সাহিত্য চৰ্চাক অন্তঃকৰণেৰে ভালপোৱা মীনা শইকীয়াই দীৰ্ঘদিনৰে পৰা নিৰৱচ্ছিন্নভাৱে সংগীত, কাব্য আৰু সাহিত্য চৰ্চাত মনোনিৱেশ কৰি আহিছে । তেওঁ ২০০৮ চনত শিশুসকলক নৃত্য-গীতৰ শিক্ষা দি সাংস্কৃতিকভাৱে আগবঢ়াই নিয়াৰ মহান লক্ষ্যৰে 'ৰূপ-ৰশ্মি সংগীত কানন' নামেৰে এখন সংগীত বিদ্যালয় প্ৰতিষ্ঠা কৰি আজিপৰ্যন্ত বৰগীত, লোকগীত, টোকাৰী গীত, সত্ৰী নৃত্য, আধুনিক নৃত্য আদিৰ শিক্ষা প্ৰদান কৰি আহিছে। ইতিমধ্যে তেওঁৰ বহুসংখ্যক কবিতা, গল্প, প্ৰবন্ধ তথা তত্বগধুৰ লেখা বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ পোৱাৰ লগতে তেওঁ কবিতা, গল্প, প্ৰৱন্ধ আৰু সংগীতৰ কেইবাখনো গ্ৰন্থও লেখি উলিয়াইছে। গুৱাহাটী আৰু নগাঁও অনাতাঁৰ কেন্দ্ৰৰ শিল্পী মীনা শইকীয়াৰ বৰ্তমানলৈকে কেইবাটাও সংগীতৰ অডিঅ' আৰু ভিডিঅ' এলবামে মুক্তি লাভ কৰিছে । তদুপৰি তেওঁ বহুকেইটা সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে সামাজিক ক্ষেত্ৰখনৰ লগত সক্ৰিয় ৰূপত জড়িত থাকি সমাজৰ হকে সেৱা আগবঢ়াই আহিছে। এইগৰাকী বহু গুণধাৰী মহিলাক এইদৰে অসম নাট্য সন্মিলনে বিশেষভাৱে সম্বৰ্ধনা জনোৱা খবৰে এতিয়া সমগ্ৰ নগাঁও জিলাৰ লগতে হাতীচোঙৰ মাজগাঁওবাসী ৰাইজক উৎফুল্লিত কৰি তুলিছে।

# কলগাছিয়াৰ প্ৰসূতি বিভাগৰ চিকিৎসক ডাঃ জাকিৰ হুছেইনৰ বিৰুদ্ধে হত্যাৰ অভিযোগ!

**ই-সংবাদ, ১১ জানুৱাৰী, কোকিলাঃ** বৰপেটা অসামৰিক চিকিৎস্যকৰ বিৰুদ্ধে উৰ্ধতন কৰ্তৃপক্ষৰ ওচৰত অভিযোগ প্ৰসুতিৰ পৰিয়ালৰ। ন্যায় প্ৰাপ্তিৰ বাবে কলগাছিয়া থানাত এজাহাৰ দাখিল ভুক্তভোগী পৰিয়ালৰ। প্ৰসূতি বিভাগৰ চিকিৎসক ভনীতা তালুকদাৰ আৰু ডাঃ জাকিৰ হুছেইনৰ আভ্যন্তৰীণ কন্দলৰ বাবে মৃত্যু হল নৱজাতকৰ,গুৰুতৰ ভাৱে অসুস্থ প্ৰসুতি মাতৃ। বৰপেটা জিলাৰ কলগাছিয়াত অৱস্থিত বৰপেটা অসামৰিক চিকিৎসালয়ত ৰোগীৰ লগত হেতালি খেলাৰ এক গুৰুতৰ অভিযোগ উত্থাপন হৈছে। প্ৰাপ্ত অভিযোগ মতে যোৱা ৭ জানুৱাৰীত ৰাবিনা আখতাৰ (২২) নামৰ প্ৰসুতি ৰোগীৰ প্ৰসৱ বেদনা হোৱাত কলগাছিয়াৰ বৰপেটা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। চিকিৎসালয়খনৰ প্ৰসুতি বিভাগৰ চিকিৎসক ভনীতা তালুকদাৰে ৰাবিনাৰ শাৰীৰিক অৱস্থাৰ বুজ লৈ তাৎক্ষণিক ভাৱে অস্ত্ৰোপচাৰ কৰি সন্তান প্ৰসৱ কৰাৰ পৰামৰ্শ দিয়ে। তেনে সময়ত চিকিৎসালয় খনৰ প্ৰসুতি বিভাগৰ আন এগৰাকী জ্যেষ্ঠ চিকিৎসক জাকিৰ হুছেইনে অস্ত্ৰোপচাৰ কৰাত বাধা প্ৰদান কৰি আৰু নৰ্মেল ডেলিভাৰী হব বুলি অপেক্ষা কৰিব কয়। চিকিৎসক জাকিৰ হুছেইনৰ কথা মতে, পৰিয়ালে ডেলিভাৰীৰ অপেক্ষাত থাকে যদিও সময়ৰ লগে লগে ৰোগীৰ শাৰীৰিক অৱস্থাৰ যথেষ্ট অৱনতি ঘটে বুলি কৰ্তব্যৰত নাৰ্ছে পৰিয়ালক অৱগত কৰে। ৰোগীৰ অৱস্থা অধিক জটিল হোৱাত চিকিৎসক জাকিৰ হুছেইনৰ লগত যোগাযোগ কৰিবলৈ চেষ্টা কৰে যদিও কোনো সহাৰি নোপোৱাৰ অভিযোগ কৰে ভুক্তভোগী পৰিয়ালে। পৰৱৰ্তী সময়ত প্ৰসুতি গৰাকীৰ স্বাস্থ্যৰ অৱনতি হোৱাত পৰিয়ালৰ লোকে বৰপেটা চিকিৎস্যা মহাবিদ্যালয়ত ভৰ্তি কৰায় আৰু কিছু সময় পিছত নৰ্মেল ডেলিভাৰী হয়। পিছ সময়ত নৱজাতক গৰাকীৰ মৃত্যু হয়। এইক্ষেত্ৰত চিকিৎস্যক ডাঃজাকিৰ হুছেইনৰ গাফিলাতি আৰু হেমাহিৰ বাবে নৱজাতক গৰাকীৰ মৃত্যু হোৱা বুলি অভিযোগ কৰে ভুক্তভোগী পৰিয়ালে।

# বিহুৰ বাবে সুস্বাদু গুড় প্ৰস্তুত কৰাত ব্যস্ত কৃষক

**ই-সংবাদ, পশ্চিম যোৰহাট, ১১ জানুৱাৰীঃ** সমাগত ভোগালী বিহু। ভোগৰ ভোগালীক আদৰিবলৈ ব্যস্ত প্ৰতিজন অসমীয়া। ঘৰৰ গৃহিণীসকল এতিয়া ব্যস্ত ঢেঁকিৰশালত। পিঠা-পনা প্ৰস্তুত কৰাত দিনে-নিশাই ব্যস্ত হৈ পৰিছে মহিলাসকল। কাৰণ ভোগালী বিহুলৈ মাজত মাত্ৰ দুটা দিন। কিন্তু ইয়াৰ মাজতে হেমকান্ত, দীপকহঁতৰ দৰে যুৱকসকল এতিয়া ব্যস্ত হৈ পৰিছে সুস্বাদু গুড় প্ৰস্তুত কৰাত। উল্লেখ্য যে, যোৰহাটৰ উত্তৰ-পশ্চিম দিশৰ দেৰগাঁৱৰ সমীপৰ নতুন চাপৰিৰ হেমকান্ত হাজৰিকা আৰু তেওঁৰ ভাতৃ দীপক হাজৰিকাই ভোগালী বিহুৰ অতি প্ৰয়োজনীয় গুড় প্ৰস্তুত কৰাত দিনে-নিশাই ব্যস্ত হৈ পৰিছে। এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াই আহিছে সীমান্ত হাজৰিকা, পৱন বৰা, অংকুৰ বৰা আৰু ভবেন হাজৰিকাই। ইফালে, হেমকান্ত হাজৰিকা আৰু দীপক হাজৰিকাই নিজ ভূমিত বিভিন্ন প্ৰকাৰৰ ৰবি শস্যৰ খেতি কৰি স্বাৱলম্বী হৈছে।

# যোৰহাটৰ সৰুচৰাই পৰ্বতীয়াত গাড়ী চুৰি চক্ৰৰ সন্ধানত শিৱসাগৰ আৰক্ষীৰ অভিযান

**ই-সংবাদ, পশ্চিম যোৰহাট, ১১ জানুৱাৰীঃ** যোৰহাটৰ পুলিবৰ আৰক্ষী থানাৰ অন্তৰ্গত সৰুচৰাই পৰ্বতীয়া গাঁৱৰ ভকতৰহাটী চুকত গাড়ী চুৰি চক্ৰৰ সন্ধানত শিৱসাগৰ আৰক্ষীয়ে পুলিবৰ আৰক্ষীৰ সহযোগত যোৱা নিশা অভিযান চলোৱা কাৰ্যই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। সৰুচৰাই পৰ্বতীয়া গাঁৱৰ ভকতৰহাটী চুকৰ তৰুণ দত্তৰ পুত্ৰ অংশুমান দত্তক বিচাৰি গাঁও প্ৰধান আৰু স্থানীয় মহিলা ভি ডি পি-ক লৈ আৰক্ষীয়ে অভিযান চলায় যদিও বিবাহিত যুৱকজনক বাসগৃহত নাপায় বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, শিৱসাগৰৰ ৰাজীৱ কাশ্যপৰ মালিকানাধীন এটা ট্ৰেভেল এজেন্সীৰ পৰা এটা চোৰে এখন স্কৰপিঅ' বাহন গোলাঘাটলৈ যাবলৈ ভাড়াত লয় যদিও জিপিএছ সংযোগ থকা বাহনখন নগাঁৱলৈ লৈ যোৱাৰ প্ৰমাণ পায়। পাছত এই সন্দৰ্ভত ৰাজীৱ কাশ্যপে আৰক্ষীৰ সহায় লোৱাত শিৱসাগৰ আৰক্ষীয়ে গোলাঘাটৰ পৰা কুখ্যাত গাড়ী চোৰ বিকাশ দাসক আটক কৰে। বিকাশ দাসৰ স্বীকাৰুক্তিৰ ভিত্তিত যোৱা নিশা সৰুচৰাই পৰ্বতীয়া গাঁৱৰ ভকতৰহাটী চুকৰ বিবাহিত যুৱক অংশুমান দত্তক বিচাৰি তেওঁৰ বাসগৃহত আৰক্ষীয়ে অভিযান চলোৱাৰ লগতে উক্ত ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

# চেলেংহাটৰ বৈকুণ্ঠ সাংস্কৃতিক গোষ্ঠীৰ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ, মৰিয়নি, ১১ জানুৱাৰীঃ** যোৰহাট জিলাৰ চেলেংহাটৰ অন্যতম আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান বৈকুণ্ঠ সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত তথা লুখুৰাখন গাঁওবাসীৰ সহযোগত অহা ২৫ ফ্ৰেব্ৰুৱাৰীত চেলেংহাট লুখুৰাখন গাঁৱৰ শিৱ মন্দিৰৰ প্ৰাংগণত অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিত মহিলা দিহানাম প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাখনত প্ৰথম বিজয়ী দলক পোন্ধৰ হাজাৰ, দ্বিতীয় দলক দহ হাজাৰ আৰু তৃতীয় স্থান প্ৰাপ্ত দলক সাত হাজাৰ কৈ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰিব বুলি উদযাপন সমিতিৰ বিষয়ববীয়াসকলে জানিবলৈ দিয়ে। প্ৰতিযোগিতা সন্দৰ্ভত সবিশেষ জানিবৰ বাবে ৬০০২৮০৬৪৪৮ আৰু ৭৫৭৬৯৩৮৮১৭ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যোক্তাসকলে।

# আৰ্তজনক সহায়ৰ মানসেৰে চেলেংহাটত ডেউকা শীৰ্ষক ন্যাসৰ আত্মপ্ৰকাশ

**ই-সংবাদ, মৰিয়নি, ১১জানুৱাৰীঃ** দৰিদ্ৰতাক জীৱনৰ অভিশাপ বুলি সোঁৱৰণ কৰি হুমুনিয়াহ কঢ়াৰ সময়তে চেলেংহাটৰ সমাজকৰ্মী আন্তঃৰাষ্ট্ৰীয় শৰীৰ চৰ্চাবিদ তুষাৰ পালৰ তত্বাৱধানত আত্মপ্ৰকাশ ঘটিল এটি ন্যাস 'ডেউকা'ৰ। নৰনাৰায়ণক অকণমান সহায় কৰাৰ উদ্দেশ্যে আজি আসাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ ইউনিয়ন(আপকু)ৰ যোৰহাট জিলা সমিতি আৰু টীয়ক ই মিডিয়া ফ'ৰামৰ উদ্যোগত কলিয়াপানী আউনীআটী সত্ৰৰ দক্ষিণ হাতীত অনুষ্ঠিত এখন সভাত এই ন্যাসৰ আত্মপ্ৰকাশ ঘটে। ন্যাসৰ শুভাৰম্ভ অনুষ্ঠানত চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিগন্ত শইকীয়া, ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা যোৰহাট জিলা সমিতিৰ সভাপতি দিগন্ত নেওগ, শিক্ষাবিদ জীৱন বৰা, আউনীআটী সত্ৰৰ বৈষ্ণৱ ৰাজেন ভৰালী, গজেন ভূঞা, ছাত্ৰ নেতা ঋতম দত্ত, বিপ্লৱ ফুকন, দেৱমাল্য শইকীয়া, আপকুৰ যোৰহাট জিলা সমিতিৰ সভাপতি দীপক দত্ত, আপকুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য জ্যোতিপ্ৰসাদ গগৈ, আপকুৰ যোৰহাট জিলা সমিতিৰ উপদেষ্টা সত্যৰঞ্জন শইকীয়াৰ লগতে টীয়ক, চেলেংহাটৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৰাইজে অংশগ্ৰহণ কৰে। 'ডেউকা' শুভাৰম্ভ অনুষ্ঠানৰ আঁত ধৰে আপকুৰ যোৰহাট জিলা সমিতিৰ সম্পাদক সাৰংগপানী শইকীয়াই। 'ডেউকা' শুভাৰম্ভ অনুষ্ঠানত টীয়কৰ তেলীয়া গাঁৱৰ এটি অনাথ কিশোৰক এখন চাইকেল প্ৰদান কৰে মানৱ দৰদী তুষাৰ পালে। উল্লেখ্য যে, তুষাৰ পালে যোৱা ৫ বছৰে ১২ গৰাকী অতি দৰিদ্ৰ ছাত্ৰ ছাত্ৰীক পঢ়াৰ লগতে লাগতীয়াল সামগ্ৰীৰ সম্পূৰ্ণ দায়িত্ব লোৱাৰ লগতে টীয়ক তেলিয়া গাঁৱৰ দুটা ঘাট মাউৰা কিশোৰৰ শৈক্ষিক জীৱনৰ সমস্ত দায়িত্ব বহন কৰি আহিছে। 'ডেউকা' নামৰ ন্যাসৰ শুভাৰম্ভ কৰি বিশিষ্ট সমাজকৰ্মী তুষাৰ পালে গাঁঠিৰ ধন ভাঙি আৰ্তজনক সহায়ৰ হাত আগবঢ়াই অহা কাৰ্যক ৰাইজে ভূয়সী প্ৰশংসা কৰে।

# কামপুৰ কচুৱাৰ মেনগাঁৱত হস্ত নিৰ্মিত পিস্তল উদ্ধাৰ, এজনক গ্ৰেপ্তাৰ

**ই-সংবাদ, কামপুৰ, ১১ জানুৱাৰীঃ** নগাঁও জিলাৰ কচুৱা আৰক্ষীয়ে এক গোপন সূত্ৰৰ পমখেদি অভিযান চলাই কচুৱা লুটুমাৰী মেনগাঁৱৰ পৰা মাইনুল হক(৫৫) নামৰ এটা দুৰ্দ্ধৰ্ষ অপৰাধীক গ্ৰেপ্তাৰ কৰে। ধৃত মাইনুল হক নামৰ দুৰ্দ্ধৰ্ষ অপৰাধীটোৰ পৰা এটা হস্ত নিৰ্মিত পিষ্টল আৰু তিনিজাঁই সক্ৰিয় গুলীও আৰক্ষীয়ে জব্দ কৰে। আজি কচুৱা আৰক্ষীয়ে ধৃত মাইনুল হকক নগাঁও আদালতত হাজিৰ কৰি নগাঁও জে'ললৈ প্ৰেৰণ কৰে।

# ব্ৰয়লাৰ চিণ্ডিকেটক লৈ নৰম আক্ৰাছুৰ সাংবাদিকৰ বিৰুদ্ধে গোচৰ

**ই-সংবাদ, গোলকগঞ্জ, ১১ জানুৱাৰীঃ** পশ্চিমবংগৰ ব্ৰয়লাৰ অসমত আমদানিত পশুপালন বিভাগে নিষেধাজ্ঞা জাৰি কৰা সত্বেও ধুবুৰী জিলাৰ ছাগলীয়াৰে পশ্চিমবংগৰ নিষিদ্ধ ব্ৰয়লাৰ ভৰ্তি বাহন নিশাৰ ভাগত অসমলৈ আমদানি অব্যাহত আছে। আঠ জানুৱাৰীৰ নিশা অবৈধভাৱে আমদানি কৰা তিনিখন বাহনক আক্ৰাছুৰ এটা দলে আটক কৰাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অপ্ৰীতিকৰ ঘটনাৰ বাতৰি ১০ জানুৱাৰীত আমাৰ কাকতত প্ৰকাশ পোৱাৰ বাবেই পশ্চিম জিলা আক্ৰাছুৰ সভাপতি অসীম ৰায়ে (শ্যাম) কালি এই প্ৰতিবেদককে ধৰি দুজন সাংবাদিকৰ বিৰুদ্ধে গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী মতে, আঠ জানুৱাৰীৰ নিশা দহ বজাত পশ্চিম আক্ৰাছুৰ সভাপতি শ্যাম ৰায়ৰ নেতৃত্বত আক্ৰাছুৰ এটা দলে তিনিখন ব্ৰয়লাৰ ভৰ্তি বাহন গৌৰাংগ বজাৰৰ সমীপৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আটক কৰে। নথি-পত্ৰ বিহীনভাৱে বাহনসমূহ অসমত প্ৰৱেশ কৰা বুলি চালক তিনিজনে স্বীকাৰ কৰে। অসীম ৰায়ে (শ্যাম) সংবাদ মাধ্যমৰ যোগেদি এনে অবৈধ ব্যৱসায় অতিশীঘ্ৰে বন্ধ কৰাৰ দাবী জনায় অন্যথা ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাৰ সকীয়নি দিয়ে। খবৰ পাই গোলকগঞ্জ আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। আক্ৰাছুৰ দাবীত আৰক্ষীয়ে বাহন তিনিখন থানালৈ নিয়ে। কিছুসময় পিছতে অসীম উক্ত স্থানৰ পৰা নোহোৱা হয়। সেই সুযোগতেই বাহন তিনিখন লৈ আৰক্ষী ৰাওনা হয় যদিও ষ্টেট বেংকৰ সন্মুখত দলটোৰ মাজতে বিভাজন হৈ সহঃ সম্পাদক প্ৰসেনজিত ৰায়ৰ নেতৃত্বত পুনৰ বাহনখন আটক কৰে। প্ৰসেনজিতে আৰক্ষীক তীব্ৰ ককৰ্থনাও কৰে। কিছু সময় পিছত AS-01 HC-4248 নম্বৰৰ বাহনত অসীম আৰু বেবেটো ৰায় ঘটনাস্থলীত মিলিত হৈ বাহনসমূহ যাবলৈ দিয়ে। আৰম্ভণিৰ পৰা অন্তলৈ সমগ্ৰ ঘটনা পাঁচজন সাংবাদিকৰ ম'বাইলত আৱদ্ধ হয়। সবিশেষ বাতৰি আমাৰ কাকতৰ লগতে এটা ডিজিটেল চেনেলত প্ৰচাৰ হোৱাত খড়্গহস্ত হৈ পৰে অসীম ওৰফে শ্যাম। দুজন সাংবাদিকে তেওঁৰ পৰা দহ হাজাৰ টকা দাবী কৰা বুলি এজাহাৰ দাখিল কৰি ঘটনাক বিপথে পৰিচালিত কৰাৰ চেষ্টা চলাইছে। আক্ৰাছু অবৈধ ব্ৰয়লাৰৰ ব্যৱসায় নকৰে, বৰং অবৈধ বাহন তিনিখন আটক কৰিছে, ইয়াত কাৰো বিৰোধ থাকিব নোৱাৰে। তেনেক্ষেত্ৰত সাংবাদিকে ওলোটা আক্ৰাছুৰ পৰা ধন দাবী কৰাৰ প্ৰশ্নই আহিব নোৱাৰে। আক্ৰাছু নেতাৰ এনে কাৰ্যত অঞ্চলটোত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# দৰঙত 'সুৰক্ষিত অসমৰ বাবে বাটৰ নাট' প্ৰদৰ্শন

**ই-সংবাদ, দুমুনিচকী, ১১ জানুৱাৰীঃ** দৰং জিলাত বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ সময়ত জিলা প্ৰশাসন তথা দৰং জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে সদায়ে সক্ৰিয়ভাৱে আৰু তৎকালীনভাৱে পদক্ষেপ লৈ আহিছে। প্ৰাকৃতিক দুৰ্যোগৰ ফলত হ'ব পৰা যিকোনো ধৰণৰ ক্ষয়-ক্ষতিৰ পৰিমাণ লাঘৱ কৰাৰ বাবে প্ৰশাসনৰ এই তৎপৰতাৰ লগতে জনসাধাৰণৰ মাজতো সজাগতা সৃষ্টি কৰা প্ৰয়োজন। গতিকে এলানি বাটৰ নাটেৰে দৰং জিলাবাসীৰ মাজত প্ৰাকৃতিক দুৰ্যোগৰ সজাগতা সৃষ্টি কৰিবলৈ লোৱা হৈছে। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতা সম্পৰ্কে ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে দৰং জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত জিলাখনত বাটৰ নাট অনুষ্ঠিত কৰে। জিলাখনৰ প্ৰতিটো ৰাজহ চক্ৰতে অনুষ্ঠিত হ'বলগীয়া এই বাটৰ নাটৰ আজি মঙলদৈ ৰাজহ চক্ৰত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত আৰু দৰং জিলা প্ৰশাসনৰ তত্বাৱধানত "দুৰ্যোগৰ বিপদাশংকা হ্ৰাসৰ আন্তৰ্জাতিক দিন-২০২৪" (International Day of Disaster Risk Reduction- 2024) উপলক্ষে এক স্থিতিস্থাপক ভৱিষ্যত আৰু পৰৱৰ্তী প্ৰজন্মক শক্তিশালী কৰাৰ উদ্দেশ্য আগত ৰাখি 'সুৰক্ষিত অসমৰ বাবে বাটৰ নাট-২' শীৰ্ষক সজাগতা কাৰ্যসূচী হাতত লোৱা হৈছে। ভূমিকম্প, ধুমুহা, বজ্ৰপাত, বিজুলী ঢেৰেকনি, বানপানী, ভূমিস্খলন আদি প্ৰাকৃতিক দুৰ্যোগৰ সময়ত হ'ব পৰা বিপদৰ পৰা কেনেকৈ হাত সাৰি থাকিব পাৰি আৰু ইয়াৰ বাবে আগতীয়াকৈ কি কি সাৱধানতা ল'ব লাগে- এই বিষয়সমূহ প্ৰচাৰ কৰি জনসাধাৰণক সজাগ কৰাৰ উদ্দেশ্যে এইদৰে বাট অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। আন্তৰ্জাতিক দুৰ্যোগ শংকা প্ৰশমন দিৱস ২০২৪ উপলক্ষে দৰং জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত বানপানী আৰু জলবায়ু পৰিবৰ্তনৰ সজাগতাৰে সুৰক্ষিত অসমৰ বাবে বাটৰ নাট-২ শুভ উদ্বোধনী অনুষ্ঠান মঙলদৈ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। দৰং জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্পৰ বিভাগীয় বিষয়া কৰ্মচাৰীসকলে অনুষ্ঠানটি পৰিচালনা কৰে।

# জ্যোতি চিত্ৰবনত জিমচাঁয়া সাংস্কৃতিক মহিলা সমিতিৰ বৰ্ণিল সাংস্কৃতিক সমাৰোহ

**ই-সংবাদ, গুৱাহাটী, ১১ জানুৱাৰীঃ** দেউৰী জাতিৰ বিশাল সাংস্কৃতিক ক্ষেত্ৰখনৰ সঠিক অধ্যয়ন, গৱেষণা, প্ৰসাৰ আৰু সংৰক্ষণৰ প্ৰতি লক্ষ্য ৰাখি আজি গুৱাহাটী মহানগৰীৰ কাহিলীপাৰাস্থিত জ্যোতি চিত্ৰবন প্ৰেক্ষাগৃহত 'জিম'চাঁয়া সাংস্কৃতিক মহিলা সমিতি (জিম'চাঁয়া নচিৰিমা মিচিগু মুগে)'ৰ উদ্যোগত এখনি বৰ্ণিল সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত পুৱা ৯ বজাত স্মৃতি তৰ্পণ কৰে গুৱাহাটী মহানগৰ জিম'চাঁয়া নচিৰিমা মিচিগু মুগেৰ সভানেত্ৰী ৰেবিকা দেউৰীয়ে। ১০ বজাত আৰাউ উদ্বোধন কৰে মিচিগু মুগেৰ প্ৰচাৰ সম্পাদিকা মঞ্জু দেউৰীয়ে। দিনৰ ১ বজাত মিচিগু মুগেৰ শিল্পীবৃন্দৰ সমবেত সংগীত পৰিৱেশনৰে আৰম্ভ কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা দাঙি ধৰি মুগেৰ তথা মহিলা সমিতিৰ লক্ষ্য, উদ্দেশ্য সমিতিৰ অন্যতম বিষয়ববীয়া, লেখিকা, শিক্ষয়িত্ৰী অৰ্চনা দেউৰীয়ে কয় যে দেউৰী জাতিৰ ভাষা-সংস্কৃতিৰ প্ৰতি সংকট আহিছে। দেউৰীসকলৰ হৃদয় পৰশা গীত-মাতবোৰ এচাম দুষ্ট চক্ৰই নিজৰ দখললৈ নিবলৈ কু-অভিপ্ৰায় কৰিছে। তাৰ বাবে আমি সচেতন হ'বৰ হ'ল। মিচিগু মুগেৰ উদ্যোগত উপযুক্ত সংৰক্ষণ, প্ৰচাৰ-প্ৰসাৰৰ লগতে গৱেষণা ধৰ্মী কাম কৰাৰ প্ৰয়াস কৰা হৈছে। সভাত মুখ্য অতিথি হিচাপে ওদালগুৰি জিলাৰ জিলা আৰু সত্ৰ ন্যায়ধীশ নগেন চেনাবয়া দেউৰীয়ে অংশ লৈ দেউৰী জনগোষ্ঠীক সৰ্বতোপ্ৰকাৰে আগুৱাই নিবৰ বাবে জনগোষ্ঠীটোৰ সকলো জনসাধাৰণক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। দেউৰী সাহিত্য সভাৰ সভাপতি ড০ ষড়ানন দেউৰীয়ে অংশ লৈ কয় যে দেউৰী ভাষা ৰক্ষাৰ বাবে আমি পণ ল'ব লাগিব। দেউৰী সমাজৰ প্ৰতিজন লোকে নিজৰ ভাষা সলসলীয়াকৈ ক'ব আৰু লিখিব পৰা হ'ব লাগিব। চৰকাৰেও সদিচ্ছাৰে আগুৱাই নিবলৈ প্ৰয়াস কৰিব লাগিব। মইনা-ভাটৌ চৰাই যিদৰে ভাষা শিকে আমিও শিকিব লাগিব। সভাৰ আন এগৰাকী অতিথি পৰাগজ্যোতি প্ৰকাশনৰ সচিব তথা সাংবাদিক, সাহিত্যিক দীপক শৰ্মাই নিজৰ ভাষণত কয় যে ভাষা শিকিব লাগিব। নিজৰ মাতৃভাষাক সন্মান দিব লাগিব। সময়ৰ সদব্যৱহাৰ কৰিব পাৰিব লাগিব। নিজক বা এটা জাতি, সংগঠনক প্ৰতিষ্ঠা কৰাৰ বাবে সময় আৰু লক্ষ্য স্থিৰ কৰিব লাগিব। সভাত সাহিত্য অকাডেমি অনুবাদক বঁটা প্ৰাপক তথা অৱসৰপ্ৰাপ্ত সহকাৰী কৰ আয়ুক্ত বিপুল দেউৰী, স্বাস্থ্য সেৱা বিভাগ, অসমৰ অৱসৰপ্ৰাপ্ত সঞ্চালক ডাঃ জগদীশ দেউৰী, আৰক্ষী অধীক্ষক মুনীন্দ্ৰ নাথ দেউৰী, দেউৰী জাতীয় মঞ্চৰ সভাপতি ড০ অতুল কুমাৰ দেউৰী ভৰালী, এছ এছ বিৰ অৱসৰপ্ৰাপ্ত উপ-মহাপৰিদৰ্শক ড০ জয়ন্ত দেউৰী, জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰ প্ৰভৃতিয়ে অংশগ্ৰহণ কৰি দেউৰী মহিলা শিল্পীসকলে লোৱা ঈৰ্ষণীয় প্ৰদক্ষেপৰ প্ৰশংসা কৰে। দেউৰী জাতিৰ বিশাল সাংস্কৃতিক উত্তৰণৰ বাবে লোৱা প্ৰদক্ষেপক প্ৰতিগৰাকী বক্তাই প্ৰশংসাৰে উপচাই দিয়ে। সভাত দেউৰী জনগোষ্ঠীৰ বিহু, নৃত্য, গীত-মাত আদি পৰিৱেশন কৰি পৰিৱেশটো প্ৰাণৱন্ত কৰি তোলে।

# গলেয়া ছান ৰাইজিং সংঘৰ উদ্যোগত মাঘবিহু উপলক্ষে সাংস্কৃতিক সন্ধিয়াৰ আয়োজন

**ই-সংবাদ, মিৰ্জা, ১১ জানুৱাৰীঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত কুলশীত গলেয়া ছান ৰাইজিং সংঘৰ উদ্যোগত মাঘবিহু উপলক্ষে ১ মাঘ তথা ১৫ জানুৱাৰীত প্ৰথম বাৰ্ষিক এদিনীয়া কাৰ্যসূচীৰে সাংস্কৃতিক সন্ধিয়াৰ লগতে বিভিন্ন খেল-ধেমালি, নৃত্য প্ৰতিযোগিতা গলেয়া ছান ৰাইজিং সংঘ প্ৰাংগণত আয়োজন কৰা হৈছে। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ জনপ্ৰিয় কণ্ঠশিল্পী কুমাৰ তপন আৰু ৰূপাঞ্জলি ৰাভাৰ গীতৰ শৰাইৰ লগতে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান থাকিব। আয়োজক সমিতিৰ সভাপতি পদত আছে নাৰায়ণ ৰাভা, কোষাধ্যক্ষ হিচাপে ধনঞ্জয় ৰাভা, সাধাৰণ সম্পাদক হিচাপে বিনয়জ্যোতি ৰাভা, সাংস্কৃতিক সম্পাদক হিচাপে সঞ্জীৱ ৰাভা, সহঃ সাংস্কৃতিক সম্পাদক হিচাপে আছে ৰিমন ৰাভা। অনুষ্ঠানত বৃক্ষৰোপণ কৰিব কুলশী বনাঞ্চলিক বিষয়া কংকনজ্যোতি কৌশিকে। নিশা মঞ্চ উদ্বোধন কৰিব বিজেপিৰ যুৱ নেতা হিমাংশু শেখৰ বৈশ্যই। উল্লিখিত গলেয়া ছান ৰাইজিং সংঘৰ উদ্যোক্তাসকলে ৰাইজৰ সহায়-সহযোগিতা কামনা কৰাৰ লগতে অনুষ্ঠানত ৰাইজক উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰিবলৈ আহ্বান জনাইছে।

# সাপটগ্ৰাম ৰয়েল একাডেমী উঃ মাধ্যমিক বিদ্যালয়ৰ বাৰ্ষিক দিৱস, বঁটা বিতৰণী সভা সম্পন্ন

**ই-সংবাদ, পৰ্বতঝোৰা, ১১ জানুৱাৰীঃ** শেহতীয়াকৈ ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ সীমান্তৱৰ্তী সাপটগ্ৰাম চহৰৰ বিজ্ঞান শিক্ষাৰ অগ্ৰণী উচ্চ শিক্ষা প্ৰতিষ্ঠান সাপটগ্ৰাম ৰয়েল একাডেমীত কালি দিনজোৰা কাৰ্যসূচীৰে শিক্ষানুষ্ঠানখনৰ বাৰ্ষিক দিৱস আৰু বঁটা বিটৰণী সভা অনুষ্ঠিত হয়। এই উপলক্ষে অনুষ্ঠিত মুকলি সভা শিক্ষানুষ্ঠানখনৰ সভাপতি গোবিন্দ আগৰৱালাৰ সভাপতিত্বত অনুষ্ঠিত হয়। শুকুৰবাৰে অনুষ্ঠিত এই সভাখনৰ প্ৰাৰম্ভিক কাৰ্যসূচী অনুসৰি শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীত পৰিৱেশন কৰে। কাৰ্যসূচী অনুসৰি সাপটগ্ৰাম ৰয়েল একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰতি বছৰৰ দৰে এইবেলিও যোৱা বছৰত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিশেষভাৱে কৃতকাৰ্যতা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। শিক্ষা প্ৰতিষ্ঠানখনৰ সভাপতি গোবিন্দ আগৰৱালাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনোৱা হয়। মুকলি সভাত বিদ্যালয়খনৰ অধ্যক্ষা তথা বিশিষ্ট শিক্ষাবিদ ড০ পদ্মা গুহ আগৰৱালা, বিলাসীপাৰা সমজিলাৰ সহকাৰী আয়ুক্ত জিৱাউৰ ৰহমান, সাপটগ্ৰাম মহাবিদ্যালয়ৰ উপাধ্যক্ষ মহিবুল হক চৌধুৰী, সাপটগ্ৰাম নগৰপালিকাৰ সভানেত্ৰী মালা মণ্ডল আদিকে ধৰি বিশিষ্ট ব্যক্তিসকলে তত্ত্বগধুৰ বক্তব্য প্ৰদান কৰে। সভাপতিৰ বক্তব্যত গোবিন্দ আগৰৱালাই শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ নিজৰ কেৰিয়াৰ গঢ়াৰ বাবে আগ্ৰহী হ'বলৈ আহ্বান জনায়। পিছত শলাগৰ শৰাইৰে যোগেদি মুকলি সভাৰৰ সামৰণি পৰে। ইয়াৰ পিছত উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচীৰ আয়োজন কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# পঞ্জাৱত আপৰ বিধায়ক গোগীৰ ৰহস্যজনক মৃত্যুত চাঞ্চল্য

**চণ্ডীগড়, ১১ জানুৱাৰীঃ** আত্মৰক্ষাৰ বাবে ৰখা পিষ্টলৰ গুলীয়েই কাল হ'ল পঞ্জাৱৰ আম আদমী পাৰ্টিৰ বিধায়ক গুৰপ্ৰীপ বছি গোগীৰ। শুকুৰবাৰে নিশা নিজৰ পিষ্টলৰে ভুলবশতঃ গুলীবিদ্ধ হয় লুধিয়ানা পশ্চিম সমষ্টিৰ বিধায়কগৰাকী। ইয়াৰ পিছতে তেওঁক ততাতৈয়াকৈ হাস্পতাললৈ নিয়া হয় যদিও কিছুসময় পিছতে চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। জানিব পৰামতে, শুকুৰাবাৰে বিধায়ক গোগীয়ে দিনৰ ভাগত দলীয় কাম-কাজ সম্পূৰ্ণ কৰি নিশা ঘুমৰ মণ্ডিস্থিত বাসগৃহলৈ উভতি আহে। তাৰ পিছতে পৰিয়ালৰ সৈতে সময় কটোৱাৰ সময়তে সংঘটিত হয় এই দুৰ্ঘটনা। মাজনিশা প্ৰায় ১২ বজাত বন্দুকৰ গুলীৰ শব্দ শুনি পত্নী সুখচেন কৌৰ লৰালিৰকৈ তেওঁৰ ওচৰত উপস্থিত হয়। ইয়াৰ পিছতে ৰক্তাক্ত অৱস্থাত বিধায়কগৰাকীক দয়ানন্দ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসাধীন অৱস্থাতে মৃত্যু ঘটে। স্থানীয় উপ আৰক্ষী আয়ুক্তই এই ঘটনা নিশ্চিত কৰি কয় যে কেনেকৈ গুলীচালনা সংঘটিত হ'ল তাৰ তদন্ত অব্যাহত আছে। গুৰপ্ৰীতৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ পিছত আপ শিবিৰত নামে শোকৰ ছাঁ। উল্লেখ্য যে, ২০২২ চনত আম আদমী পাৰ্টিত যোগদান কৰিছিল গুৰপ্ৰীত গোগীয়ে। তাৰ পূৰ্বে তেওঁ দুবাৰকৈ কাউন্সিলাৰ হিচাপে নিৰ্বাচিত হৈছিল। আপত যোগদান কৰাৰ পিছত তেওঁ বিধানসভা নিৰ্বাচনৰ টিকট লাভ কৰি দুবাৰৰ বিধায়ক ভাৰত ভূষণ আশুক পৰাস্ত কৰি লুধিয়ানা পশ্চিম সমষ্টিৰ পৰা নিৰ্বাচিত হয়। বিধায়ক গুৰপ্ৰীত গোগীৰ মৃত্যুৰ সময়ত বয়স আছিল ৫৮ বছৰ।

# দুমুনিচকীত দিবা-নৈশ কেৰম

**ই-সংবাদ, দুমুনিচকী, ১১ জানুৱাৰীঃ** দৰং জিলাৰ অন্যতম সামাজিক অনুষ্ঠান দুমুনিচকীস্থিত 'পোহৰ' এন জি অ'ৰ উদ্যোগত দিবা-নৈশ প্ৰাইজমানি একক কেৰম খেল প্ৰতিযোগিতাৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। অহা ২৪, ২৫ আৰু ২৬ জানুৱাৰীত দুমুনিচকী চ'কতে অনুষ্ঠিত হ'ব লগা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ১৫০০১ টকাৰ লগতে ট্ৰফী। দ্বিতীয় পুৰস্কাৰ ৮০০১ টকাৰ লগতে লগতে ট্ৰফী। আনহাতে, শ্ৰেষ্ঠ খেলুৱৈক নগদ ধনৰ লগতে ট্ৰফী প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাত যোগদান কৰিব বিচৰাসকলক ৬৯০১৯৯৬০৫৩, ৯৮৬৪৮৬৬৭১৫ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।



অকলেণ্ডত তৃতীয় এদিনীয়াত নিউজিলেণ্ডক ১৪০ ৰানত হৰুৱাই শ্ৰীলংকাৰ খেলুৱৈৰ বিজয়োল্লাস, শনিবাৰে

## ২০১০টা গোচৰৰ বিপৰীতে মাত্ৰ ৩৫ নিৰ্যাতনকাৰী গ্ৰেপ্তাৰ

# বাংলাদেশত ক্ৰমাৎ বৃদ্ধি সংখ্যালঘু নিৰ্যাতনৰ ঘটনা

**ঢাকা, ১১ জানুৱাৰীঃ** হাছিনা চৰকাৰৰ পতনৰ পাছতে বাংলাদেশত আতংকজনকভাৱে বৃদ্ধি পাইছে সংখ্যালঘু নিৰ্যাতনৰ ঘটনা। দেশখনত ইটোৰ পিছত সিটোকৈ সাম্প্ৰদায়িক আক্ৰমণ আৰু লুণ্ঠনৰ ঘটনা সংঘটিত হোৱাৰ পিছতো বৰ্তমানৰ প্ৰশাসনে কাৰ্যতঃ নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰাৰ অভিযোগ উত্থাপন হৈছে। এনে অভিযোগৰ মাজতে এতিয়া সংখ্যালঘুৰ নিৰ্যাতন ৰোধৰ বাবে 'শূন্য সহনশীলতা' নীতি গ্ৰহণ কৰা বুলি দাবী কৰি আৰক্ষীক শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছে অন্তৰ্বৰ্তীকালীন চৰকাৰখনে। বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টাৰ উপ-প্ৰেছ সচিব আবুল কালাম আজাদ মজুমদাৰে কয় যে শেহতীয়াকৈ সংখ্যালঘুৰ বিৰুদ্ধে সাম্প্ৰদায়িক আক্ৰমণ আৰু লুণ্ঠনৰ ১৭৬৯টা ঘটনা সংঘটিত হৈছে। ভুক্তভোগীৰ পৰা মুঠ ২০১০টা অভিযোগ পঞ্জীয়ন কৰা হৈছে। অৱশ্যে এই পৰ্যন্ত মাত্ৰ ৬২টা অভিযোগৰ ভিত্তিত গোচৰ ৰুজু কৰা হৈছে আৰু ৩৫জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। চৰকাৰে দাবী কৰা মতে, নিৰ্যাতনৰ অধিকাংশ ঘটনাই ৰাজনৈতিক হিংসা বা ভুৱা। ইয়াৰে ১৬১টা অভিযোগৰ কোনো ভিত্তি নাই বুলিও উল্লেখ কৰে উপ-প্ৰেছ সচিব আবুল কালাম আজাদ মজুমদাৰে। কিন্তু চৰকাৰে কয় যে সংখ্যালঘুসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে তেওঁলোকৰ অভিযোগ পঞ্জীয়ন কৰাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আৰক্ষীয়ে ক্ষতিগ্ৰস্ত অঞ্চল আৰু প্ৰতিষ্ঠানসমূহৰ স্থানীয় পৰিদৰ্শন কৰি সংখ্যালঘু নেতাৰ সৈতে নিয়মীয়াকৈ যোগাযোগ অক্ষুণ্ণ ৰাখিছে। কিন্তু সংখ্যালঘু নিৰ্যাতনৰ এই ঘটনাই অন্তৰ্বৰ্তীকালীন চৰকাৰ শাসিত বাংলাদেশৰ মানৱ অধিকাৰৰ পৰিস্থিতিক লৈ নিতৌ ন ন প্ৰশ্ন উত্থাপন কৰিছে।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ডঃ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি